www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## কংগ্ৰেছৰ টিকট বিশেষজ্ঞ ড০ শৰ্মা!

ই-সংবাদ, ২৮ অক্টোবৰঃ ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত ব্যস্ত থকা মুখ্যমন্ত্ৰী হিমন্ত ৫ পৃষ্ঠাত চাওক

TUESDAY, OCTOBER 29, 2024 ■ মঙলবাৰ, ১২ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯৫ Guwahati, Assam ।। মূল্যঃ এটকা

### ‘ৰাইজৰ দল’ৰ টাৰ্গেট নামনি অসমৰ সংখ্যালঘু অধ্যুষিত একাধিক সমষ্টি

# কাৰ এজেণ্ট অখিল গগৈ?

**ই-সংবাদ বিশেষ, ২৮ অক্টোবৰঃ** ১২৬টা সমষ্টিত প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ অলীক সপোন ৰচি পুনৰ বিতৰ্কৰ সৃষ্টি কৰিছে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে। জেলৰ ভিতৰৰ পৰা নিৰ্বাচন খেলি ৰাইজৰ সহানুভূতি আৰু মৰমেৰে জনপ্ৰতিনিধি হিচাপে নিৰ্বাচিত হোৱা অখিল গগৈয়ে আনক অহংকাৰী আখ্যা দি নিজেই এতিয়া অহংকাৰী হৈ উঠাৰ অভিযোগ উত্থাপন হৈছে। ৰাইজৰ দলৰ



সাধাৰণ পৰিষদৰ বৈঠকৰ পিছত আজি দলটোৰ একমাত্ৰ বিধায়কজনে ১২৬টা বিধানসভা সমষ্টিত প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ এক অলীক কল্পনা ৰাজহুৱা কৰিছে। কংগ্ৰেছৰ শেষাংশ ২ পৃষ্ঠাত

## জিম্বাবৱেৰ ছাত্ৰৰ মৃত্যুক লৈ চাঞ্চল্য

**ই-সংবাদ, ২৮ অক্টোবৰঃ** ৰাজ্যত অধ্যয়নৰত এগৰাকী বিদেশী ছাত্ৰৰ মৃত্যুৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আফ্ৰিকা মহাদেশৰ জিম্বাবৱেৰ অসম শেষাংশ ৩ পৃষ্ঠাত

## হিমন্তৰ ফোন, জয়ন্তৰ বুজনি! অৱশেষত মনোনয়ন প্ৰত্যাহাৰ অমিয়কান্তিৰ



**ই-সংবাদ, ২৮ অক্টোবৰঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই মুখ্যমন্ত্ৰীৰ ঘটক হিচাপে সাক্ষাৎ কৰাৰ পাছতে বিজেপিৰ বিসম্বাদী অমিয়কান্তি দাসে শেষাংশ ২ পৃষ্ঠাত

## আৰু নিৰ্বাচন নেখেলো! ক’লে সাংসদ ফণীয়ে

**ই-সংবাদ, ২৮ অক্টোবৰঃ** অৱশেষত আবেগকে শেষ হাতিয়াৰ কৰিলে বৰপেটাৰ সাংসদ তথা ৪০ বছৰে বঙাইগাঁও সমষ্টিৰ বিধায়ক হোৱা ফণীভূষণ চৌধুৰীয়ে। ফণীভূষণ চৌধুৰীৰ বিৰুদ্ধে নিজ দলৰে শেষাংশ ৩ পৃষ্ঠাত

## টকাৰ বাণ্ডিলেই সাৰথি আছিল ‘ডিবি’ৰ

**ই-সংবাদ, ২৮ অক্টোবৰঃ** বিদেশলৈ পলায়নৰ বাবে সাজু হৈ থকাৰ সময়তে গোৱা আৰু অসম আৰক্ষীয়ে গোৱাত গ্ৰেপ্তাৰ কৰা প্ৰৱঞ্চক দীপাংকৰ বৰ্মনক গুৱাহাটী আৰক্ষীয়ে জিম্মাত ল’বলৈ সাজু। আজি গোৱাৰ আদালতত দীপাংকৰ বৰ্মনক হাজিৰ কৰোৱা হৈছে যদিও গুৱাহাটী আৰক্ষীয়ে জিম্মাত পোৱা নাই। ডি.বি ষ্টক কেলেংকাৰীৰ মাষ্টাৰমাইণ্ড দীপাংকৰ বৰ্মনক জিম্মাত পাবলৈ কেইদিনমান অপেক্ষা কৰিব লাগিব অসম আৰক্ষীয়ে। গুৱাহাটীৰ শেষাংশ ৪ পৃষ্ঠাত

## ৰিপুণৰ ঠাই ল’ব দল বাগৰা দুলুৱে!

**ই-সংবাদ, ২৮ অক্টোবৰঃ** বছৰি দল সলোৱা নেতাত পৰিণত হৈছে হোটেল ব্যৱসায়ী তথা প্ৰাক্তন কংগ্ৰেছ নেতা দুলু শেষাংশ ৪ পৃষ্ঠাত

## ডিব্ৰুগড়ত কিশোৰীক ধৰ্ষণ ৫ পাষণ্ডৰ

**ই-সংবাদ, ডিব্ৰুগড়, ২৮ অক্টোবৰঃ** ডিব্ৰুগড় জিলাৰ চাবুৱাৰ শিয়ালকাটী চাহ বাগিচাত সংঘটিত হৈছে এক জঘন্য ঘটনা। পাঁচ পাষণ্ডৰ কামনাৰ বলি হ’ল এগৰাকী কিশোৰী। চাবুৱাৰ শিয়ালকাটী চাহ বাগিচাৰ শেষাংশ ৩ পৃষ্ঠাত



মেডিছন স্কুৱেৰ গাৰ্ডেনত ট্ৰাম্পৰ নিৰ্বাচনী প্ৰচাৰ, সোমবাৰে

### অ’এনজিচিৰ অপহৰণ কাণ্ড
## মূল অভিযুক্ত তাহিৰৰ আত্মসমৰ্পণ

**ই-সংবাদ, ২৮ অক্টোবৰঃ** শিৱসাগৰত অ’এনজিচিৰ বিষয়াৰ অপহৰণৰ প্ৰয়াস কাণ্ডত জড়িত তাহিৰুল হুছেইনে অৱশেষত আত্মসমৰ্পণ কৰিছে। শেষাংশ ৪ পৃষ্ঠাত

## গোলকগঞ্জত বাংলাদেশীক আটক

**ই-সংবাদ, গোলকগঞ্জ, ২৮ অক্টোবৰঃ** ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ গোলকগঞ্জ ৰে’ল ষ্টেচনত দেওবাৰে শেষাংশ ২ পৃষ্ঠাত

## হোৱাইট হাউছ... এই কমলা, এই ট্ৰাম্প!

**নিউয়ৰ্ক, ২৮ অক্টোবৰঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পূৰ্বে বাৰে বাৰে সলনি হৈছে যুক্তৰাষ্ট্ৰখনৰ ৰাজনৈতিক পট। শেহতীয়াকৈ প্ৰকাশ পোৱা জনমত সমীক্ষাত ৰাষ্ট্ৰপতি পদৰ দুই প্ৰাৰ্থী ডোনাল্ড ট্ৰাম্প আৰু কমলা হেৰিছৰ মাজৰ নিৰ্বাচনী যুঁজখন অধিক ৰোমাঞ্চকৰ হৈ পৰা পৰিলক্ষিত হৈছে। শেহতীয়া সমীক্ষাত ৰিপাব্লিকান পাৰ্টিৰ প্ৰাৰ্থী ডোনাল্ড ট্ৰাম্প আৰু ডেম’ক্ৰেটিক পাৰ্টিৰ প্ৰতিদ্বন্দ্বী কমলা হেৰিছৰ মাজত জনমতৰ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰ এজেণ্ট অখিল গগৈ?

নেগুৰত ধৰি নিৰ্বাচনী বৈতৰণী পাৰ হোৱা অখিল গগৈয়ে এইবাৰ কংগ্ৰেছকহে তেওঁ আসন এৰি দিব বুলি হাস্যকৰ মন্তব্য আগবঢ়াইছে। বিজেপিৰ লগত গোপন মিতিৰালি থকাৰ অভিযোগত অভিযুক্ত অখিল গগৈয়ে বিহালী বিধানসভাৰ উপ-নিৰ্বাচনতো ৰহস্যজনক স্থিতি লোৱাৰ অভিযোগ আছে। অভিযোগ অনুসৰি গগৈয়ে অসম সন্মিলিত মৰ্চাৰ বৈঠকত চিপিআইএমএলৰ বিবেক দাসৰ প্ৰাৰ্থিত্বৰ বিৰোধিতা কৰিছিল। বিৰোধীৰ ঐক্য বজাই ৰাখিবৰ বাবে বিহালী সমষ্টিতো অসম সন্মিলিতি মৰ্চাৰ প্ৰাৰ্থীক এৰি দিয়াৰ সপক্ষে প্ৰতিবেদন দাখিল কৰিবলৈ গঠন কৰা ৫ জনীয়া সমিতিৰ অন্যতম সদস্য বিধায়ক অখিল গগৈয়ে সভাত আনুষ্ঠানিকভাৱে নিজৰ প্ৰাৰ্থীৰ বিৰোধিতা কৰিছিল আৰু সেই সুযোগ গ্ৰহণ কৰিয়ে পৰৱৰ্তী সময়ত বিবেক দাসে প্ৰাৰ্থিত্ব নাপালে বুলি চিপিআইএমৰ এক সূত্ৰই অভিযোগ কৰিছে। দীৰ্ঘদিন ধৰি বিহালীত চিপিআইএমএলে নিজৰ সাংগঠনিক স্থিতি সবল কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছিল আৰু ২০২১ চনত কংগ্ৰেছে মৰ্চাৰ প্ৰাৰ্থী হিচাপে বিবেক দাসক বিহালী সমষ্টিটো এৰি দিছিল। ২০২১ত বিহালী সমষ্টিৰ পৰা প্ৰায় ২২ হাজাৰ ভোট লাভ কৰিছিল। এনে পৰিসংখ্যাৰ পিছতো কিহৰ ভিত্তিত ৰাইজৰ দলৰ বিধায়কজনে বিবেক দাসৰ গণভিত্তি নাই বুলি ক'লে সেই কথা ৰহস্যজনক বুলি চিপিআইএমএলৰ এটি সূত্ৰই আঙুলিয়াই দিছে। ইফালে কংগ্ৰেছৰ প্ৰাৰ্থী জয়ন্ত বৰাৰ লগতো কংগ্ৰেছে সু-সম্পৰ্ক ৰক্ষা কৰি চলা বুলিও অভিযোগ আছে। অখিল গগৈয়ে জয়ন্ত বৰাক শক্তিশালী প্ৰাৰ্থী বুলি ৰাজহুৱাভাৱে ঘোষণা কৰাৰ যুক্তি কি বুলিও চিপিআইএমএলৰ সূত্ৰটোৱে প্ৰশ্ন কৰিছে। ইফালে, কংগ্ৰেছ নেতা গৌৰৱ গগৈকো বাৰে বাৰে আক্ৰমণৰ লক্ষ্য কৰি লোৱা কথাটোও অসম প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই সহজভাৱে ল'ব পৰা নাই। অসম প্ৰদেশ কংগ্ৰেছৰ এক সূত্ৰৰ মতে অখিল গগৈয়ে শাসকীয় দলৰ এজেণ্ট হিচাপে বিভিন্ন সময়ত মন্তব্য আগবঢ়াই আহিছে। গগৈয়ে ২০২৬ত নিৰ্বাচনত বিৰোধী ঐক্য যাতে সুৰক্ষিত হৈ নাথাকে তাৰ বাবে কাম কৰা বুলিও অভিযোগ আছে। গগৈৰ স্থিতিক লৈ ৰাইজৰ দলৰ মাজতো মতবিৰোধ আছে। দলৰ একনায়কত্ববাদ চলোৱা অখিল গগৈয়ে সংবাদ মাধ্যমৰ বুম দেখিলেই অস্থিৰ হৈ পৰি যি মন যায় তাকেই কয় বুলি ৰাইজৰ দলৰ এটি সূত্ৰই অভিযোগ কৰিছে। গগৈৰ এই একনায়কত্ববাদৰ বাবে দলটোৰ কেবাজনো নিষ্ঠাৱান কৰ্মীয় দল ত্যাগ কৰি অসম জাতীয় পৰিষদত যোগদান কৰাৰো পৰিকল্পনা কৰিছে। ইতিমধ্যে জাতীয় পৰিষদৰ নেতা জগদীশ ভূঞাৰ লগত ৰাইজৰ দলৰ একাংশ কৰ্মীয়ে যোগাযোগ অব্যাহত ৰাখিছে বুলিও জানিব পৰা গৈছে। ৰাইজৰ দলৰ এজন নেতাই নাম প্ৰকাশ নকৰাৰ চৰ্তত জনোৱা মতে, অখিল গগৈয়ে কংগ্ৰেছ জয়ী হোৱাৰ সম্ভাৱনা থকা নামনি অসমৰ কেবাটাও সমষ্টিত তলে তলে প্ৰাৰ্থী থিয় কৰাবলৈ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ইয়াৰ বাবে কেবাগৰাকী নেতাক নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াবলৈ মানসিকভাৱে সাজু হৈ থাকিবলৈকো অখিল গগৈয়ে নিজ মুখে কৈছে বুলি জানিব পৰা গৈছে। এইসকল নেতাই ইতিমধ্যে অখিল গগৈৰ কথামতে নামনিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ কুচকাৱাজ অব্যাহত ৰাখিছে। বিজেপিক পৰাভূত কৰাৰ কথা কৈ অহা অখিল গগৈৰ এনে নীতিয়ে ২০২৬ৰ নিৰ্বাচনত আওপকীয়াকৈ বিজেপি দল তথা সাম্প্ৰদায়িক দল হিচাপে পৰিগণিত এআইইউডিএফ দলক জয়ী কৰোৱাত সহায় কৰিব বুলিও ৰাজনৈতিক মহলৰ মাজত চৰ্চা চলা দেখা গৈছে। এনেদৰে এতিয়া এফালে বিজেপিক পৰাভূত কৰাৰ স্বাৰ্থত সভাই-সমিতিয়ে ৰাইজক বিজেপিৰ বিৰুদ্ধে মাৰবান্ধি থিয় হবলৈ কৈ অহা ৰাইজৰ দলৰ বিধায়কগৰাকীয়ে তলে তলে আন অংকহে কৰি আহিছে নেকি বুলিও একাংশ লোকে আলোচনা কৰিবলৈ আৰম্ভ কৰিছে। বিশেষকৈ নামনি অসমৰ সংখ্যালঘু অধ্যুষিত সমষ্টিসমূহত অখিলৰ তৎপৰতাই আওপকীয়াকৈ বহু কথাই প্ৰকাশ কৰিছে বুলি প্ৰায় স্পষ্ট হৈ পৰিছে। উল্লেখ্য যে লোকসভা নিৰ্বাচনৰ সময়ত ধুবুৰী লোকসভা সমষ্টিত অখিল গগৈয়ে চলোৱা নিৰ্বাচনী প্ৰচাৰে কংগ্ৰেছ দলক যথেষ্ট সহায় কৰিছিল বুলিও সেই সময়ত চৰ্চা চলিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গোলকগঞ্জত বাংলাদেশীক আটক

বিয়লি এজন বাংলাদেশী নাগৰিক আটক হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ষ্টেচনত চাল-চলন কথা বাৰ্তাত স্থানীয় ৰাইজৰ সন্দেহ হোৱাত লোকজনক আটক কৰি গোলকগঞ্জ থানাত খবৰ দিয়ে। আৰক্ষীয়ে ততালিকে লোকজনক আটক কৰি থানালৈ আনে। তেওঁ নিজকে বাংলাদেশৰ মইমনসিং জিলাৰ ফুলবেৰীয়া থানাৰ এক নং বিদ্যানন্দ গাঁৱৰ ফৰমান আলীৰ পুত্ৰ ইমদাদুল হক (২৪) বুলি পৰিচয় দিয়ে। লোকজনে জানিবলৈ দিয়া মতে, তিনি মাহ পূৰ্বে মেঘালয় সীমান্তৰে ভাৰতত প্ৰৱেশ কৰি গুৱাহাটীলৈ আহে। গুৱাহাটীৰ কামাখ্যা ষ্টেচনৰ পৰা ৰে'ল যোগে পোনে পোনে দিল্লীলৈ যায়। তেওঁ সদৰি কৰা মতে, দিল্লীৰ লগতে ৰাজস্থানৰ বিভিন্ন অঞ্চল ঘূৰি ঘৰমুৱা হৈছিল। অইন কোনোবা সীমান্তৰে বাংলাদেশ প্ৰত্যাৱৰ্তন কৰিবলৈ চেষ্টা কৰিও ব্যৰ্থ হয়। পুনৰ গুৱাহাটীলৈ গৈ মেঘালয় যাব বিচাৰি কিবা ভাবি পুনৰ গুচি আহে গোলকগঞ্জলৈ। গোলকগঞ্জ থানা যিহেতু ভাৰত-বাংলাদেশ সীমান্ত সংলগ্ন সেয়ে সকলো ঘটনা ৰহস্যৰ সৃষ্টি কৰিছে। ইয়াৰ পূৰ্বেও বহু বাংলাদেশী অবৈধভাবে প্ৰৱেশ কৰি সমগ্ৰ দেশ ঘূৰি আহি সীমান্তত আহি মানসিক ৰোগীৰ ভাও ধৰে। আৰক্ষীয়ে লোকজনক আটক কৰি বিএছএফক গতাই দিয়ে। বিএছএফে লোকজনক বাংলাদেশলৈ ওভতাই পঠায়। কেইমাহমান পূৰ্বে বাংলাদেশত ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি হৈছিল। সংখ্যালঘু হিন্দুৰ লগতে তদানীন্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাকে ধৰি আওৱামী লীগৰ বহু নেতা নিৰ্যাতনৰ বলি হৈ ভাৰতত আশ্ৰয় লৈছে। সেয়ে বৰ্তমান কোনে কি উদ্দেশ্যেৰে ভাৰতত প্ৰৱেশ কৰি আহিছে সকলো ৰহস্যজনক হৈ পৰিছে। ইপিনে, গোলকগঞ্জ আৰক্ষীয়ে আজি বাংলাদেশী লোকজনক গোৱালপাৰা ডিটেনচন কেম্প লৈ প্ৰেৰণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তৰ ফোন, জয়ন্তৰ বুজনি!

ধলাই সমষ্টিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লৈ মনোনয়ন প্ৰত্যাহাৰ কৰে। কাছাৰ জিলা বিজেপিৰ উপ-সভাপতি অমিয় কান্তি দাসে ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দাখিল কৰা মনোনয়ন প্ৰত্যাহাৰ কৰে। কাছাৰৰ অভিভাৱক মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, লক্ষিপুৰৰ বিধায়ক কৌশিক ৰায় আৰু জিলা সভাপতি বিমলেন্দু ৰয়ে দাসৰ ঘৰত উপস্থিত হৈ দীৰ্ঘ সময় আলোচনাত মিলিত হোৱাৰ পাছতে আজি মনোনয়ন প্ৰত্যাহাৰ কৰে। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই দাসক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰোৱা বুলিও জানিব পৰা গৈছে। খবৰ মতে, দাসে বিজেপিৰ নেতৃত্বৰ ওচৰত কেইটামান দাবী ৰাখিছিল। আজিৰ আলোচানত দাসে শিলচৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ, কাছাৰ জিলা বিজেপিৰ সভাপতি আৰু কাছাৰ জিলা পৰিষদৰ সভাপতিৰ নিযুক্তিক লৈ নতুনকৈ সিদ্ধান্ত লোৱাৰ দাবী ৰাখে। সেই দাবী মানি লোৱাৰ আশ্বাস দিয়াত মনোনয়ন প্ৰত্যাহাৰৰ সিদ্ধান্ত লয়। মনোনয়ন প্ৰত্যাহাৰ কৰি দাসে কয় যে বিজেপিৰ পৰা পদত্যাগ কৰিলেও আৰএছএছৰ মতাদৰ্শৰ প্ৰতি মোৰ আদৰ্শ স্থিৰ আছিল। মোৰ অসন্তুষ্টি কেতিয়াও দলৰ বিৰুদ্ধে নাছিল। শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্যৰ বিৰুদ্ধে আৰু সমষ্টিৰ কিছু কথাক লৈহে বিৰোধ আছিল। মুখ্যমন্ত্ৰীৰ আশ্বাসৰ পাছতে মই দলত কাম কৰি যাবলৈ সাজু। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই কয় যে তেনে কোনো প্ৰস্তাৱ দাসক দিয়া হোৱা নাই। তেওঁ এজন সমৰ্পিত বিজেপি নেতা। জিলাখনৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। পদত্যাগ পত্ৰও গ্ৰহণ কৰা হোৱা নাছিল। এজন নিৰ্দিষ্ট ব্যক্তিক লৈহে সমস্যা আছিল। ৰাষ্ট্ৰক ব্যক্তিৰ ওপৰত ৰখা দাসে দলটোৰ প্ৰতি সমৰ্পণৰ ভাব নিশ্চিত কৰি দললৈ ঘূৰি অহাৰ সিদ্ধান্ত লয় আৰু মনোনয়ন প্ৰত্যাহাৰ কৰে। উল্লেখ্য যে, বিজেপিৰ পৰা টিকট লাভ কৰা নিহাৰৰঞ্জন দাসক বাংলাদেশী আখ্যা দি বিজেপিৰ টিকট লাভ নকৰাত দলত্যাগৰ কথা ঘোষণা কৰি ২৪ অক্টোবৰত অমিয়কান্তি দাসে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হোৱাইট হাউছ... এই কমলা, এই ট্ৰাম্প!

ব্যৱধান হৈছে মাত্ৰ এক শতাংশ। ইমাৰচন কলেজৰ জনমত সমীক্ষাৰ প্ৰতিবেদন অনুসৰি আমেৰিকাৰ ৪৯ শতাংশ ভোটাৰে ৰাষ্ট্ৰপতি পদৰ বাবে বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি কমলাক পছন্দ কৰে। আনহাতে, ৪৮ শতাংশ ভোটাৰে ট্ৰাম্পৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰিছে। আনহাতে, এবিচি নিউজৰ এক সমীক্ষাত কমলা হেৰিছৰ পক্ষত আছে দেশখনৰ ৪৮ শতাংশ ভোটাৰ আৰু ট্ৰাম্পৰ সমৰ্থনত আছে ৪৬ শতাংশ ভোটাৰ। উল্লেখ্য যে, ৫ নৱেম্বৰত আমেৰিকাত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰপতি নিৰ্বাচন। ইয়াৰ পূৰ্বে জনমত সমীক্ষাৰ ফলাফলে ডেম'ক্ৰেটিক পাৰ্টিৰ সমৰ্থকসকলৰ মাজত কিছু উদ্বেগ প্ৰকাশ কৰিব বুলি আশা কৰা হৈছে। কাৰণ, আগষ্ট মাহৰ তৃতীয় সপ্তাহৰ আৰম্ভণিতে কমলা হেৰিছে ট্ৰাম্পতকৈ প্ৰায় চাৰি শতাংশ বেছি ভোটাৰৰ সমৰ্থন লাভ কৰিছিল। ভাৰতীয় মূলৰ ডেম'ক্ৰেট নেত্ৰী কমলা হেৰিছ আমেৰিকাৰ ইতিহাসৰ প্ৰথমগৰাকী মহিলা উপ-ৰাষ্ট্ৰপতি হৈ ইতিহাস ৰচনা কৰিছে। এইবাৰ যদি তেওঁ জয়ী হয়, তেন্তে কমলা হেৰিছে প্ৰথম মহিলা ৰাষ্ট্ৰপতি হিচাপে নজিৰ গঢ়িবলৈ সক্ষম হ'ব। সমীক্ষা বিশেষজ্ঞৰ এটা দলে দাবী কৰা মতে, এই ৰাষ্ট্ৰপতি নিৰ্বাচনত সাতখন 'দোদুল্যমান' প্ৰদেশৰ জনমত গুৰুত্বপূৰ্ণ হৈ উঠিব। এবিচি নিউজৰ মতে, সেই সাতখন প্ৰদেশৰ ভিতৰত মিচিগান, উইচকনচিন আৰু নেভাদাৰ ১ শতাংশ পইণ্ট কমলা হেৰিছৰ। আনহাতে, পেনচিলভেনিয়া আৰু নৰ্থ কেৰ'লিনাত ১ পইণ্টেৰে আগবাঢ়ি আছে ট্ৰাম্প। জৰ্জিয়া আৰু এৰিজোনাত ২ পইণ্টেৰে আগবাঢ়ি আছে ট্ৰাম্প। যোৱা বুধবাৰে ফক্স নিউজৰ এক সমীক্ষা অনুসৰি কমলা হেৰিছতকৈ ২ পইণ্ট আগবাঢ়ি আছে ট্ৰাম্প। ট্ৰাম্পৰ সমৰ্থন ৫০ শতাংশ আৰু কমলাৰ সমৰ্থন ৪৮ শতাংশ। এনেদৰে এতিয়া আকৰ্ষণীয় হৈ পৰিছে হোৱাইট হাউছৰ যুঁজ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰু নিৰ্বাচন নেখেলো! ক'লে

নেতা-কৰ্মীয়ে বিসম্বাদ আৰম্ভ কৰাত পৰিস্থিতি অনুকূলে দেখা নাপায় আৱেগক হাথিয়াৰ কৰিছে। পত্নীৰ সমৰ্থনত পৰিৱেশ তৈয়াৰ কৰিবলৈ শেষ ক্ষেপণাস্ত্ৰ কৰা হৈছে 'আৱেগ'ক। ফণীভূষণ চৌধুৰী সাংসদ নিৰ্বাচিত হোৱাত বঙাইগাঁও সমষ্টিত উপ-নিৰ্বাচনত অনুষ্ঠিত হোৱাত বঙাইগাঁও অগপৰ কেইবাজনো নেতাই প্ৰাৰ্থিত্ব দাবী কৰিছিল। কিন্তু শেষত নিজ পত্নী দীপ্তিময়ী চৌধুৰীক প্ৰাৰ্থিত্ব দিয়াত নাৰাজ বহু সংখ্যক নেতা-কৰ্মীয়ে দলত্যাগ কৰিছে। কেইবাগৰাকী সোঁহাত স্বৰূপ নেতাই ফণীভূষণ চৌধুৰীৰ সংগ ত্যাগ কৰাত ৪০ বছৰে বিধায়ক হৈ থকা সমষ্টিটোত এইবাৰ জয়ী হোৱাৰ পথ মসৃণ নহয় বুলি পৰিৱেশ প্ৰত্যক্ষ কৰি অৱশেষত সংসদীয় ৰাজনীতি ত্যাগ কৰাৰ ঘোষণা কৰে। চকুৰে-মুখে বিষাদৰ চাপ স্পষ্ট হৈ পৰা ফণীভূষণ চৌধুৰীয়ে নিজেই নিৰ্বাচনত অৱতীৰ্ণ নোহোৱাৰ লগতে পত্নীয়েও দ্বিতীয়বাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে বুলি ঘোষণা কৰিছে। ২০২৬ চনতো পত্নীয়ে নিৰ্বাচন নেখেলাৰ ঘোষণা কৰিছে। কিন্তু পুত্ৰই খেলিব নে নাই সেই কথা স্পষ্ট কৰা নাই। সমষ্টিটোৰ একাংশ অগপই কৰ্মীয়ে আৱেগৰ ৰাজনীতিক তীব্ৰ সমালোচনা কৰি কয় "এয়া হৈছে ঘৰিয়ালৰ চকুপানী। এনে কথা কোৱাৰ আঁৰত আছে ভোট আদায়ৰ ৰাজনীতি। এইবাৰ দেখিছে যে পত্নীয়ে নিৰ্বাচনী যুঁজত পাৰ হোৱাৰ সম্ভাৱনা কম, সেয়েহে শেষত শেষ হাঠিয়াৰ এৰি দিছে চৌধুৰীয়ে। বাৰে বাৰে শেষ অৱস্থাত ফণীভূষণ চৌধুৰীয়ে এনে আৱেগৰ ৰাজনীতিৰ বশৱৰ্তী হয় বুলি সমষ্টিবাসীয়ে জানে আৰু মানুহে কন্দা-কতা কৰাও দেখিছে।" সদ্য দলত্যাগী একাংশ বিসম্বাদী নেতাই কয় যে চৌধুৰীক যেনেকৈ নহওক ক্ষমতা লাগে। সেয়াই শেষকথা। তেওঁ বেলেগ একো নাজেনে। নিৰ্বাচন আহিলেই মানুহক আৱেগিক কৰি মুৰ্খ সজাই। এনে মানুহক বিশ্বাসত ল'বই নালাগে। নিৰ্বাচনী ৰাজনীতিৰ পৰা অৱসৰ ঘোষণা কৰি আজি সাংসদ ফণীভূষণ চৌধুৰীয়ে স্পষ্ট কৰে যে দুনাই নিৰ্বাচনত অংশগ্ৰহণ নকৰে। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত বৰপেটা লোকসভা সমষ্টিৰ পৰা সাংসদ নিৰ্বাচিত চৌধুৰীয়ে ১৯৮৩ চনৰ পৰা একেৰাহে বঙাইগাঁৱৰ বিধায়ক হৈ আছিল। প্ৰফুল্ল মহন্তৰ চৰকাৰ আৰু সৰ্বানন্দ সোণোৱালৰ চৰকাৰত মন্ত্ৰী আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জিম্বাবৱেৰ ছাত্ৰৰ মৃত্যুক

ডাউন-টাউন বিশ্ববিদ্যালয়ত বিজ্ঞান শাখাত অধ্যয়নৰত লাভমোৰ মুছনী নামৰ ছাত্ৰজনে মৃত্যুক আকোৱালি লয়। লাভমোৰ মুছনী নামৰ ছাত্ৰজন নিশা ভাড়াঘৰত হঠাতে অসুস্থ হৈ পৰাত ভাড়াঘৰৰ পৰিয়ালৰ লোক আৰু আন এজন ৰুমমেটৰ সৈতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছিল যদিও চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। পুৱাহে ভাড়াঘৰৰ মালিকে মৃত্যুৰ খবৰ লাভ কৰিছিল। আৰক্ষীক ঘটনাৰ খবৰ প্ৰদান কৰাত আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰাৰ ব্যৱস্থা কৰে। ঘটনাৰ তদন্তও আৰম্ভ কৰিছে আৰক্ষীয়ে। জানিব পৰা মতে, গুৱাহাটীৰ অসম ডাউন-টাউন বিশ্ববিদ্যালয়ত বিজ্ঞান শাখাত নামভৰ্তি কৰি নাৰেংগীৰ উৰ্মী নগৰৰ ভাড়াঘৰত আছিল লাভমৰ মুছনী। লাভমৰ মুছনীৰ সৈতে একেটা ভাড়াঘৰত আছিল তাঞ্জানিয়াৰ আন এজন ছাত্ৰ। কালি নিশা দুয়ো বন্ধুৱে বজাৰ কৰি সন্ধিয়া ঘৰলৈ আহে আৰু নিজেই আহাৰ তৈয়াৰ কৰি খায়। কিন্তু নিশা প্ৰায় ডেৰবজাত মালিকৰ ঘৰৰ কলিং বজাই ছাত্ৰজনে শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰা বুলি কোৱাত ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয়। কিন্তু কিছু সময় পাছতে ছাত্ৰজনে মৃত্যুক আকোৱালি লয়। ভাড়াঘৰৰ মালিকে কয় যে তেনে কোনো কথাই নাই, ছাত্ৰজন শ্বাস-প্ৰশ্বাসৰ ৰোগতহে ভুগি আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিব্ৰুগড়ত কিশোৰীক ধৰ্ষণ

ৰঙামাটি লাইনৰ ১ নং লাইনত সংঘটিত হৈছে এই জঘন্য ঘটনা। কিশোৰীগৰাকী সাতমহীয়া অন্তঃসত্তা হোৱাৰ পাছতে ঘটনা পোহৰলৈ আহে। পিতৃ-মাতৃ নথকা কিশোৰীগৰাকীৰ শাৰীৰিক পৰিৱৰ্তন হোৱাত অঞ্চলটোৰ ৰাইজে সোধা-পোছা কৰাত ঘটনা পোহৰলৈ আহে। ইয়াৰ পাছতে ৰাইজৰ সহযোগত চাবুৱা আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে কিশোৰীগৰাকীয়ে। ভুক্তভোগী কিশোৰীগৰাকীয়ে এজাহাৰ দাখিল কৰাৰ পাছতেই নিশাই চাবুৱা আৰক্ষীয়ে ৪ জনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় যদিও আন এজনে পলায়ন কৰে। চাবুৱা আৰক্ষীয়ে চাবুৱা থানাত 81/24 US 376(D)IPC 60f pcso আইনৰ অধীনত গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। চাবুৱাৰ শিয়ালকাটী চাহ বাগিচাৰ পৰাই গ্ৰেপ্তাৰ কৰিছে কৈলাশ তাঁতী (৫৫), বিকি তাঁতী (২০) আৰু মনজিত হাচদাৰ (১৮)ক। ইয়াৰে অমিৰ বৰাইক পলাতক হোৱাৰ লগতে ঘটনাৰ লগত জড়িত আন এজন শিশুক আটক কৰি যোৰহাটৰ শিশুগৃহলৈ প্ৰেৰণ কৰে আৰক্ষীয়ে। ঘটনাৰ লগত জড়িত আৰু কোনোবা থাকিব পাৰে বুলি আৰক্ষীয়ে জোৰদাৰ অনুসন্ধান অব্যাহত ৰাখিছে। ঘটনাটোৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে ডিব্ৰুগড়ত।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰিপুণৰ ঠাই ল'ব দল বাগৰা দুলুৱে!

আহমেদ। এই অভিযোগকে সত্য প্ৰমাণিত কৰি আজি তৃতীয়টো দলত যোগদান কৰিলে দুলু আহমেদে। ২০২৪ৰ লোকসভা নিৰ্বাচনত বৰপেটা লোকসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ লুৰীণজ্যোতি গগৈৰ দল অসম জাতীয় পৰিষদৰ পৰা টিকট বিচাৰিছিল যদিও টিকট নিদিয়াত নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা কৰাত আমানতৰ ধন জব্দ হৈছিল দুলু আহমেদৰ। আজি আহমেদে ৰাজনীতিৰ তৃতীয় ইনিংছ আৰম্ভ কৰিলে। ছ'চিয়েল মিডিয়াৰ নেতা আখ্যা পোৱা দুলু আহমেদে কংগ্ৰেছ, অজাপৰ পাছতে আজি তৃণমূল কংগ্ৰেছত যোগদান কৰিছে। আজি কলকাতাৰ তৃণমূল ভৱনত অসমৰ ৰাজ্যিকৰ প্ৰভাৰী মলয় ঘটক আৰু ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱৰ উপস্থিতিত দলটোত যোগদান কৰে। দুলু আহমেদৰ লগতে শিশিৰ দেৱ কলিতা, সঞ্জীৱ মহন্তই আনুষ্ঠানিকভাৱে অসম তৃণমূল কংগ্ৰেছ দলত যোগদান কৰে। ৰিপুন বৰাই তৃণমূল কংগ্ৰেছ এৰি অহাত খালী হোৱা ৰাজ্যিক সভাপতি পদটো দুলু আহমেদক দিয়াৰ সম্ভাৱনা আছে বুলি জানিব পৰা গৈছে। তৃণমূল কংগ্ৰেছে জাৰি কৰা এক বিবৃতিত আটাইকেইজন অসমৰ নেতাক তৃণমূল কংগ্ৰেছৰ বৃহৎ পৰিয়ালটোলৈ আদৰণি জনোৱা বুলি কয়। অনাগত সময়ত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীৰ সবল নেতৃত্বত উগ্ৰ-সাম্প্ৰদায়িকতাবাদী, স্বেচ্ছাচাৰী শাসনৰ বিৰুদ্ধে একেলগে যুঁজ দি মানৱ সমাজক কল্যাণৰ হকে কাম কৰি যোৱাৰ কথাও উল্লেখ কৰে দলটোৱে। বিগত লোকসভা নিৰ্বাচনত বৰপেটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি মাথোঁ ৯ হাজাৰ ভোট লাভ কৰিছল বহু বিতৰ্কিত দুলু আহমেদে। প্ৰথমে কংগ্ৰেছ তাৰ পাছতে অসম জাতীয় পৰিষদত যোগদান কৰা দুলু আহমেদে হাজো বিধানসভা সমষ্টিত দুবাৰকৈ নিৰ্বাচন খেলিছে যদিও আজিলৈ জয়ী হ'ব পৰা নাই। ২০১৬ চনত কংগ্ৰেছৰ টিকটত হাজো সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও পৰাজিত হৈছে। ২০২১ চনত অসম জাতীয় পৰিষদৰ টিকটত হাজো সমষ্টি প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছে। এইগৰাকী দুলু আহমেদে এটা দলত বেছি দিন থাকিব নোৱাৰে বুলি অভিযোগ আছে। যিটো দলত থাকে সেই দলটোৰ শীৰ্ষ নেতৃত্বৰ সৈতে সংঘাতত লিপ্ত হৈ ওলাই আহে আৰু নিতৌ সেই দলটোৰ নেতৃত্বক ফেচবুকত অতি তৰল আৰু লঘুভাষাৰে সমালোচনা কৰে বুলিও অভিযোগ আছে। হোটেল ব্যৱসায়ী তথা সামাজিক মাধ্যমত লাগ-বান নোহোৱা কথাৰে বহু বিতৰ্কৰ সৃষ্টি কৰি অহা বহু বক্ষি দুলু আহমেদে কংগ্ৰেছ চৰকাৰৰ সময়ত হোটেল ব্যৱসায় আৰম্ভ কৰিছিল। কংগ্ৰেছৰ থকাৰ সময়ত যিকেইজন সংখ্যালঘু নেতাৰ সৈতে ওতঃপ্ৰোত সম্পৰ্ক আছিল সেইকেইজন নেতাক এতিয়া নিতৌ সমালোচনা কৰাই নহয় ৰাজ্যসভা আৰু ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ভোট বিক্ৰী কৰা আৰু কংগ্ৰেছত থাকি হিমন্ত বিশ্ব শৰ্মাৰ হৈ কাম কৰাৰ অভিযোগ উত্থাপন কৰি আহিছে। আনহাতে দুলু আহমেদে এইবাৰ ৰঙিয়া বিধানসভা সমষ্টিত নিৰ্বাচন খেলিব বুলি চৰ্চা চলিছে। কিয়নো হাজো সমষ্টিত সংৰক্ষিত হোৱাত ৰঙিয়া সমষ্টিত ইতিমধ্যে প্ৰচাৰ চলাই গৈছে। সেয়েহে যিকোনো এটা দলত যোগদান কৰি হৰা-জিকাটো পিছৰ কথা কেৱল নিৰ্বাচন খেলিব লাগে দুলু আহমেদে। নিৰ্বাচন খেলি ভালপোৱা দুলুৱে এইবাৰ কি কৰে সেয়া লক্ষণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মূল অভিযুক্ত তাহিৰৰ আত্মসমৰ্পণ

অপহৰণৰ মূল অভিযুক্ত তাহিৰুল হুছেইনে ১৩ দিনৰ মূৰকত আত্মসমৰ্পণ কৰে। আৰক্ষীয়ে তীব্ৰ অভিযান চলাই থকাৰ সময়তে আজি নিশা আত্মসমৰ্পণ কৰে হুছেইনে। ইতিমধ্যে অপহৰণৰ ষড়যন্ত্ৰৰ সৈতে জড়িত থকাৰ অভিযোগত শিৱসাগৰ আৰক্ষীয়ে পুনৰ দুজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। গৌৰীসাগৰৰ পৰা শিৱসাগৰ আৰক্ষীৰ বিশেষ তদন্তকাৰী দলে অংকিত গগৈ, দ্বীপেন গগৈক আটক কৰাৰ লগতে ইৰচাদ লতিফ, চফিকুৰ ৰহমান, ৰাহুল হাজৰিকা ওৰফে লাডেন, মুবিন হাজৰিকা, ত্ৰিণয়ন বাৰোৱাতী, জৰিফৎদ্দিন আহমেদক গ্ৰেপ্তাৰ কৰিছে। ইৰচাদ লতিফৰ বাসগৃহৰ পৰা অপহৰণ ষড়যন্ত্ৰৰ সময়ত যোগাযোগৰ বাবে ব্যৱহাৰ কৰা ৩৫টা মোবাইল ছিম কাৰ্ডৰ সৈতে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিন্তু ৰাজ্য কপোৱা অএনজিচিৰ ৫ অনা-অসমীয়া বিষয়াৰ পৰিকল্পিত অপহৰণৰ প্ৰয়াস কাণ্ডৰ মাষ্টাৰমাইণ্ড তাহিৰুল হুছেইন ১৩টা দিন ধৰি পলাতক হৈ আছিল যদিও আজি আত্মসমৰ্পণ কৰে। তাহিৰুল অ'এনজিচিৰ সহকাৰী অভিযন্তা। নিগমৰ লোভনীয় দৰমহা, বিভিন্ন সুবিধাৰ পিছতো তাহিৰুলে কিয় নিজৰে সতীৰ্থ বিষয়াক অপহৰণৰ পৰিকল্পনা কৰিছিল কিয়? সেই কথা হয়তো এতিয়া পোহৰলৈ আহিব। নাজিৰাস্থিত অ'এনজিচি অসম সম্পদৰ বকতা নেমুগুৰিৰ তৈল খাদৰ পৰা পাঁচ গৰাকী অনা-অসমীয়া বিষয়াক আলফা স্বাধীনৰ সহযোগত অপহৰণৰ পৰিকল্পনা কৰিছিল অ'এনজিচিৰ বিষয়া তাহিৰুল হুছেইনে। এদিন পূৰ্বে শিৱসাগৰৰ বাবুপট্টীৰ মৃদুল পথস্থিত বাসগৃহত বাৰে বাৰে অভিযান চলাইছিল শিমলুগুৰি আৰক্ষীয়ে। এই অভিযানকালত তাহিৰৰ পত্নীক সন্মুখত লৈ তন্নতন্নকৈ সকলো কোঠা পৰীক্ষা কৰা হৈছিল। উল্লেখ্য যে, মাষ্টাৰ মাইণ্ড তাহিৰৰ তিনিটাকৈ একাউন্ট ছীল কৰিছিল আৰক্ষীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# টকাৰ বাণ্ডিলেই সাৰথি আছিল 'ডিবি'ৰ

আৰক্ষী আয়ুক্ত দিগন্ত বৰাই সংবাদ মাধ্যমক কয় যে আদালতক জিম্মাৰ বাবে অনুৰোধ কৰিব আৰু সকলো আইনী কাৰ্য সম্পন্ন কৰি গুৱাহাটীলৈ লৈ অনা হ'ব। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই আৰু কয় যে আজি বৰ্মনক পাৱনেম আদালতত হাজিৰ কৰা হৈছিল। বৰ্মনক যিহেতু বেলেগ এখন ৰাজ্যত গ্ৰেপ্তাৰ কৰা হৈছে। সেয়েহে কিছু বাধ্যবাধকতা আছে। আমি ট্ৰেঞ্জিট ৰিমাণ্ড বিচাৰি গুৱাহাটীলৈ আনিম। প্ৰায় দুমাহ ধৰি পলায়ন কৰি থকা বৰ্মনক গোৱাৰ আৰক্ষী সহযোগত পাণবজাৰৰ এচিপি অমিত মহাটোৰ নেতৃত্বৰ চাৰিজনীয়া আৰক্ষী দলে ধৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি কিছু কাৰকে বৰ্মনক গোৱাত বিচাৰি উলিওৱাত সহায় কৰিছিল বুলি উল্লেখ কৰে। পাণবজাৰ আৰক্ষী থানাত গোচৰ ৰুজু হোৱাৰ পাছৰে পৰা আৰক্ষীৰ দল এটাই নিৰীক্ষণত ৰাখিছিল একাংশ লোকক। কিন্তু বৰ্মনে টেলিফোনিক বাৰ্তালাপ আৰু সামাজিক মাধ্যমৰ ব্যৱহাৰ বন্ধ কৰি দিছিল। সঘন থিতাপি লোৱা স্থান সলনি কৰাত বিচাৰি উলিওৱাত কঠিন হৈছিল। তাৰ পাছতে অসম আৰক্ষীৰ দলটোৱে বিগত দুটাসপ্তাহ ধৰি গোৱাতে আছিল আৰু গতি-বিধি নিৰীক্ষণ কৰি আছিল। দৈনন্দিন খৰচ নগদ ধনেৰে কৰিছিল। আৰক্ষীয়ে সেই তথ্য লাভ কৰিছিল। গোৱা আৰক্ষীৰ অপৰাধ শাখাৰ সহায়ত বৰ্মনৰ অৱস্থান অৱগত হোৱাত গুৱাহাটী আৰক্ষীৰ দলটোৱে পৰিকল্পনা প্ৰস্তুত কৰি যি ঠাইত আছিল সেই ঠাই চিনাক্ত কৰিছিল। সাগৰৰ পাৰত দীৰ্ঘ সময় ধৰি তহল দি থকাৰ সময়তে বৰ্মনক গ্ৰেপ্তাৰ কৰা বুলি আৰক্ষী আয়ুক্ত দিগন্ত বৰাই উল্লেখ কৰে। গোৱাৰ মুখ্য চহৰৰ পৰা দূৰৈৰ এটা নিৰ্জন অঞ্চলৰ হোমষ্টেত অকলে আছিল দীপাংকৰ। কোঠাত তালাচী চলোৱাত ২৭ লাখতকৈও অধিক নগদ ধন, পাছপোৰ্ট আৰু গহনা জব্দ কৰিবলৈ সক্ষম হয়। গুৱাহাটীলৈ অনাৰ পিছত আৰু আদালতত হাজিৰ কৰোৱাৰ অন্তত জিম্মাত লৈ পুংখানুপুংখ জেৰা কৰা হ'ব। আৰক্ষী আয়ুক্তগৰাকীয়ে লগতে কয় যিহেতু বিভিন্ন ৰাজ্যত ডি.বি ষ্টকৰ বিৰুদ্ধে কেইবাটাও গোচৰ ৰুজু হৈ আছে। চিবিআইয়েও গোচৰ পঞ্জীয়ন কৰিছে সেয়েহে সকলোৱে সংস্থাই জিম্মাত ল'ব বিচাৰিব। উল্লেখ্য যে, ট্ৰেডিঙৰ নামত বিভিন্ন লোকৰ পৰা কেইবা শ কোটি টকা সংগ্ৰহ কৰিছিল দীপাংকৰে। কিন্তু সেই টকা সঠিক ঠাইত বিনিয়োগ নকৰি লাহ-বিলাহত উৰুৱাই দিছিল। দামী দামী গাড়ী কিনিছিল। তাৰ পাছতে প্ৰৱঞ্চনাৰ কথা পোহৰলৈ অহাত দীপাংকৰে পলায়ন কৰে। ২০১৮ত ডি.বি ষ্টক ব্ৰকিং নামৰ কাৰ্যালয় বহুওৱা দীপাংকৰৰ বিৰুদ্ধে শতাধিক লোকে পল্টনবজাৰ থানাত এজাহাৰ দাখিল কৰিছিল। দীপাংকৰে ১৮ আগষ্টত গুৱাহাটী এৰিছিল আৰু ২২ আগষ্টত গোচৰ ৰুজু হৈছিল।

# পৰীক্ষা অবিহনে সচিবালয়ত আত্মীয়ক নিযুক্তিৰ বিৰুদ্ধে ডিৱাইএফআইৰ প্ৰতিবাদ

## মুখ্যমন্ত্ৰী হিমন্তৰ পৰিয়ালৰ সম্পত্তিক লৈ শ্বেতপত্ৰ প্ৰকাশৰো জনালে দাবী

**ই-সংবাদ, ২৮ অক্টোবৰঃ** বামপন্থী সংগঠন ডেমক্ৰেটিক যুথ ফেডাৰেচন অফ ইণ্ডিয়া চমুকৈ ডিৱাইএফআইয়ে আজি গুৱাহাটীত ৰাজ্য চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ডিৱাইএফআইৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আহি গুৱাহাটী ক্লাৱৰ ৰটাৰী ক্লাৱত সমৱেত কেই শ যুৱ-ছাত্ৰই এক সমদল উলিয়াই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু পৰিয়ালৰ দুৰ্নীতি, চৰকাৰৰ দুৰ্নীতি, স্বজন-তোষণেৰে যুৱ সমাজক কৰা প্ৰতাৰণা কৰা বুলি অভিযোগ আনি শ্ল'গান দিয়া পৰিলক্ষিত হয়। এপিএছচি কেলেংকাৰিত অভিযুক্তসকলক ৰক্ষণাবেক্ষণ দিয়া বুলিও শ্ল'গান দি কেইবা শ যুৱ-ছাত্ৰই প্ৰতিবাদ সাব্যস্ত কৰে। গুৱাহাটীৰ মাজ-মজিয়াত সমদল উলিয়াই ৰাজ্য চৰকাৰ বিৰোধী শ্ল'গানেৰে আকাশ-বতাহ কপাই তোলে শ-শ যুৱ-ছাত্ৰই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত হোৱা নিযুক্তি কেলেংকাৰী, মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ দুৰ্নীতি, মন্ত্ৰী-বিধায়কৰ সা-সম্পত্তি ক্ৰয়, অভয়াৰণ্যৰ মাটি পুঁজিপতিক হস্তান্তৰৰ তথ্যসহ মুখ্যমন্ত্ৰীক শ্বেতপত্ৰ প্ৰকাশ কৰিবলৈ দাবী জনাইছে ডিৱাইএফআইয়ে। সংগঠনটোৰ অভিযোগ অনুসৰি দুৰ্নীতি-কেলেংকাৰিৰ মুখ্য অভিকেন্দ্ৰ হৈছে দিছপুৰ। হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ নিযুক্তি কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ আনি, এই অভিযোগক বিশেষ গুৰুত্ব দিয়ে ছাত্ৰ সংগঠনটোৱে। কংগ্ৰেছ চৰকাৰৰ দিনত বক্ৰ পথেৰে নিযুক্তি পোৱা বিষয়াসকলক ৰক্ষণাবেক্ষণ দি কলংকিত এপিএছ-এচিএছ আৰু আৰক্ষী বিষয়াৰে প্ৰশাসন চলাই থকাৰ অভিযোগ আনে। শেহতীয়াকৈ অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল সম্পূৰ্ণ প্ৰকাশ নকৰি আৰু চতুৰ্থ বৰ্গৰ পদত মৌখিক সাক্ষাৎকাৰৰ ব্যৱস্থাৰে কেলেংকাৰিৰ পথ খোলা হৈছে। অসম সচিবালয়ত যোৱা তিনি বছৰত মৌখিক সাক্ষাৎকাৰৰ মাজেৰেই ডেৰ শতাধিক আত্মীয়-স্বজনক নিযুক্তি দিয়া হৈছে। মন্ত্ৰী-বিধায়ক আৰু তেওঁলোকৰ পৰিয়ালে সম্পত্তিৰ পাহাৰ গঢ়িছে। আনফালে গবিন অভয়াৰণ্যসহ বনভূমি ধ্বংস কৰি পৰিৱেশ বিনষ্ট কৰিছে। ঠিকাভিত্তিক টেট শিক্ষক, কম্পিউটাৰ শিক্ষক, টিউটৰ আৰু ভেঞ্চাৰ শিক্ষকসকলৰ প্ৰতি অন্যায় কৰি শিক্ষা ব্যৱস্থাক ধ্বংসৰ দিশলৈ লৈ গৈছে। সমদলকাৰী যুৱ-ছাত্ৰই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক স্মাৰক পত্ৰ প্ৰদান কৰে। সংগঠনটোৰ ৰাজ্যিক সভাপতি ৰুস্তম আলী, সম্পাদক ৰিতু ৰঞ্জন দাস, যুটীয়া সম্পাদক নিৰংকুশ নাথ, কুলজিত কলিতাই কয় যে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ ১২,৬০০টা খালী পদত নিযুক্তি দিবলৈ পুনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। নিযুক্তি প্ৰক্ৰিয়াৰ মূল সুৰঙাটো হ'ল ৰাজহুৱা ভাবে সম্পূৰ্ণ ফলাফল ঘোষণা নকৰা আৰু মৌখিক সাক্ষাৎকাৰৰ জৰিয়তে নিজৰ বিশেষ প্ৰাৰ্থীক বাছনি কৰা। বিগত বৰ্ষত মুখ্যমন্ত্ৰীৰ সমষ্টিৰ অন্তৰ্গত শুৱালকুছিৰ ৫৬-৫৭ বছৰীয়া বিশেষ প্ৰাৰ্থীয়ে চাকৰি পাবলৈ সক্ষম হৈছিল। প্ৰাক্তন ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগে ২০১৩ আৰু ২০১৪ বৰ্ষৰ দুয়োটা বেটচৰ কেলেংকাৰি সম্পৰ্কত তদন্ত কৰি তথ্যসহ কেলেংকাৰিৰ প্ৰতিবেদন দাখিল কৰাৰ পাছতো কেলেংকাৰিৰে এপিএছ, এচিএছ হোৱা বিষয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা নাই। এছআইটিৰ যোগেদি ৰক্ষণাবেক্ষণ দিব বিচৰা এপিএছ বিষয়া নৱনীতা শৰ্মা, অসীমা কলিতা, অমৃতৰাজ চৌধুৰী, ৰিতুৰা দলে, স্বৰূপ কুমাৰ ভট্টাচাৰ্য, গীতাৰ্থ বৰুৱা, মৃদুল হাজৰিকা, কুলপ্ৰদীপ ভাগৱতী, নিতুমণি দাস, এচিএছ বিষয়া ত্ৰিদিপ ৰয়, জগদীশ ব্ৰহ্মা, বিক্ৰম আদিত্য বৰা, নন্দিতা হাজৰিকাক ৰেহাই দিয়াৰ চেষ্টা চলাইছিল যদিও আদালতে নিজাববীয়াকৈ গোচৰ লৈছে। কিন্তু আচৰিত কথাটো হৈছে চৰকাৰে এইসকল বিষয়াক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ সলনি জামিন লাভৰ সুবিধা কৰি দিছে। ২৯ কৃষি উন্নয়ন বিষয়াক বিশেষ ন্যায়ালয়ে দোষী সাব্যস্ত কৰি শাস্তি ঘোষণা কৰাৰ পাছতো চৰকাৰে বৰ্খাস্ত কৰাৰ সলনি জামিন লোৱাৰ সুযোগ দিছে। শেহতীয়াকৈ ১৭ জন অসম আৰক্ষীৰ এছআইৰ বিৰুদ্ধে বিভাগে বৰ্খাস্তৰ বাবে প্ৰস্তুতি চলাইছে। কিন্তু ১৬ বছৰে এইসকল বিষয়াই চাকৰি কৰি থাকিবলৈ সক্ষম হৈছে। সচিবালয়ত কৌশলেৰে কেৱল মৌখিক সাক্ষাৎকাৰ পাতিয়ে এই বছৰত ৫০ জন প্ৰাৰ্থীক নিযুক্তি দিছে। অধ্যক্ষৰ ভতিজা, উপাধ্যক্ষৰ আত্মীয়, সচিব পৰ্যায়ৰ বিষয়াৰ কন্যা-বোৱাৰীয়ে চাকৰি পাইছে। বিগত তিনি বছৰত ডেৰ শতাধিক লোকক এনেকৈ নিযুক্তি দিছে। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত লিখিত পৰীক্ষা পাতি মৌখিক সাক্ষাৎকাৰ পতা চৰকাৰে বিধানসভাৰ ৰাজপত্ৰিত পদত এনেকৈ কৌশলেৰে নিজৰ প্ৰাৰ্থীক নিযুক্তি দিছে। জনস্বাস্থ্য বিভাগৰ ১০১টা পদত লিখিত পৰীক্ষা অবিহনেই নিযুক্তি দি বিশেষ প্ৰাৰ্থীক নিযুক্তি লাভৰ সুবিধা কৰি দিছে। এইক্ষেত্ৰত অভিজ্ঞতাসম্পন্ন প্ৰাৰ্থীসকলেও চাকৰি লাভৰ পৰা বঞ্চিত হৈছে। সংগঠনটোৰ নেতৃত্বই আৰু কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ আন এক ডাঙৰ দুষ্কাৰ্য হৈছে ৰাজহুৱা সম্পদৰ লুণ্ঠন। চৰকাৰী সম্পদ আদানি-আম্বানিৰ নামত গতাই দিয়াৰ লগতে নিজৰ পৰিয়ালৰ নামতো অবাধে সংগ্ৰহ কৰিছে। বেছি সংখ্যক মন্ত্ৰী-বিধায়কে মাটি-বাৰীৰে সম্পত্তিৰ পাহাৰ গঢ়িছে। মুখ্যমন্ত্ৰীৰ পৰিয়ালে ৰাজ্যৰ কিমান ঠাইত মাটি ক্ৰয় কৰিছে তাৰ হিচাপ নাই। চাহবাগান, পুখুৰী, ৰিজৰ্ট, স্কুল আদি মুখ্যমন্ত্ৰীৰ পৰিয়ালে সকলো বিধি ব্যৱস্থা ভৰিৰে মোহাৰি অনায়েসে নিজৰ নামত কৰি গৈছে। সাধাৰণ মানুহে নিজৰ ঘৰটোও উচ্ছেদৰ নামত হেৰুৱাইছে। স্মাৰ্ট মিটাৰৰ মাজেৰে জনতাক লুণ্ঠন কৰিব এৰি দি আদানিক হাজাৰ কোটি টকা লাভ দিবলৈ সুযোগ কৰি দিছে। মূল্যবৃদ্ধিয়ে ৰাইজক জুলাকলা খুৱাইছে। খাদ্য সামগ্ৰী আৰু ঔষধৰ দামৰ লগতে টোল টেক্স, জিএছটি, মাটিৰ খাজানা, বজাৰ, নদীৰ ঘাট, মটৰ-গাড়ীৰ টেক্স ব্যাপক হাৰত বঢ়াই ৰাজ্যবাসীক বিপদৰ মাজলৈ ঠেলি দিছে আৰু জীৱন-জীৱিক শেষ কৰিব ওলাইছে। ৰাজ্যৰ ৩৫ হাজাৰ টেট শিক্ষক, কম্পিউটাৰ শিক্ষক আৰু ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ শিক্ষকসকলে দীৰ্ঘদিনে উত্থাপন কৰি অহা দাবী আজিলৈ পূৰণ নহ'ল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## কংগ্ৰেছৰ টিকট বিশেষজ্ঞ ড০ শৰ্মা!

বিশ্ব শৰ্মাই পুনৰ টিকট প্ৰদানক লৈ কংগ্ৰেছক আক্ৰমণ কৰিছে। ৰাজ্যখনত নিৰ্বাচনত ব্যস্ত থকা হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ টিকট প্ৰদানক লৈ দ্বিতীয়বাৰ মন্তব্য প্ৰদান কৰা পৰিলক্ষিত হৈছে। পূৰ্বে কংগ্ৰেছে ২০ শতাংশ টিকট বিক্ৰী কৰি নিৰ্বাচন খেলে বুলি কৈছিল যদিও এইবাৰ কিন্তু অভিযোগ অন্য আনিছে। এটা সপ্তাহৰ ভিতৰতে মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ টিকট প্ৰদানক লৈ দ্বিতীয়বাৰ মন্তব্য প্ৰকাশ কৰিছে। এইবাৰ টিকট বিক্ৰী নহয়, অন্য তিনিটা অভিযোগ আনিছে হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যখনৰ সহ-তত্বাৱধায়ক হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ টিকট লাভ কৰাৰ তিনিটা বিশেষ ৰাস্তাৰ কথা প্ৰকাশ কৰি কয় যে টকা দি কংগ্ৰেছৰ টিকট ল'ব পাৰি। এসময়ত নিজেই মোদীক গালি পৰা হিমন্ত বিশ্ব শৰ্মাই কয় যে, কোনো ৰাজনৈতিক দলৰ পৰিয়ালৰ হ'লে, নৰেন্দ্ৰ মোদী অথবা বিজেপিক গালি পাৰি কংগ্ৰেছৰ টিকট লাভ কৰিব পাৰি। তাৰ লগতে ঝাৰখণ্ডত বিশেষ ধৰ্মৰ লোকৰ বিৰুদ্ধে পুনৰ মন্তব্য দি ঝাৰখণ্ডৰ সাংস্কৃতিক গাঁথনিৰ প্ৰভাৱক উদ্বেগৰ কাৰণ বুলি কয়। এয়া জনজাতীয় ঐতিহ্যৰ বাবে সংকট। অবৈধ অনুপ্ৰৱেশকাৰীৰ প্ৰৱেশে জনগাঁথনিৰ পৰিৱৰ্তনে ঝাৰখণ্ডৰ প্ৰতি ভাবুকি আনিছে। অনুপ্ৰৱেশকাৰীৰ প্ৰৱেশে ৰাজ্যখনৰ থলুৱা সম্প্ৰদায়সমূহৰ সাংস্কৃতিক আৰু পৰম্পৰাগত গাঁথনি খহাই পেলাইছে বুলিও কয় ড০ শৰ্মাই।

# নগাঁৱৰ এছপিয়ে জইন কৰিব বিজেপিত! ৰকিবুল হুছেইনৰ অনুমান

**ই-সংবাদ, ২৮ অক্টোবৰঃ** নগাঁও জিলাৰ আৰক্ষী আৰক্ষী অধীক্ষকক লৈ এক বিশেষ অনুমান কৰিছে ধুবুৰীৰ সাংসদ তথা চামগুৰিৰ প্ৰাক্তন বিধায়ক ৰকিবুল হুছেইন আনিছে গুৰুতৰ অভিযোগ। উপ-নিৰ্বাচন অনুষ্ঠিত চামগুৰিত সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ পিতৃ ৰকিবুল হুছেইনে নগাঁও জিলাৰ আৰক্ষী আৰক্ষী অধীক্ষকৰ বিৰুদ্ধে পক্ষপাতিত্বমূলক আচৰণ কৰাৰ অভিযোগ আনে। আজি সংবাদমাধ্যমৰ মুখামুখি হৈ ৰকিবুল হুছেইনে কয় "এছপি ডাঙৰীয়াই এনেকুৱা কৰিব নালাগে। আজি চৰকাৰ এওঁলোকৰ আছে, কালি আমাৰ হ'ব। ইমান পক্ষপাতিত্বমূলক আচৰণ কৰিব নালাগে। আমাৰ দিনত আমি বহুত কথা কৈছিলো। কিন্তু ই-লিগেল অৰ্ডাৰবোৰ নিষ্ঠাবান পুলিচ বিষয়াই কেতিয়াও নামানে। তেওঁ ইমান বায়াছ যে মই ভাবো তেওঁ বিজেপিত জইনেই কৰিব নেকি? মোৰ তেনেকুৱা লাগিছে। মুখখন মিঠা। পেটটো তিতা।" চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি আৰু কংগ্ৰেছৰ মাজত সংঘৰ্ষ লগাৰ লগতে বাকযুদ্ধ অব্যাহত থকাৰ সময়তে বিজেপি দলে অসম আৰক্ষীক ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰকিবুল হুছেইনে। শাসকীয় বিজেপি দল আৰু নগাঁও জিলাৰ আৰক্ষী অধীক্ষকৰ বিৰুদ্ধে সৰৱ হৈ চামগুৰিৰ শিঙিমাৰীৰ সংঘৰ্ষৰ কথা উল্লেখ কৰি সাংসদগৰাকীয়ে কয় যে চামগুৰিত বিজেপিয়ে আৰক্ষীক ব্যৱহাৰ কৰিছে। চামগুৰি সমষ্টিৰ কংগ্ৰেছৰ একাংশ কৰ্মী-সমৰ্থকক আৰক্ষীয়ে কোনো গোচৰ নথকাৰ পাছতো আটক কৰি হাৰাশাস্তি কৰিছে। কিছুদিন ধৰি কংগ্ৰেছৰ কৰ্মীক আৰক্ষীয়ে অত্যাচাৰ কৰি থকা বুলি কৈ ৰকিবুল হুছেইনে আৰু কয় যে বিজেপিয়ে ভয়-ভাবুকিৰে ভোট আদায়ৰ চেষ্টা কৰিছে। বিজেপিৰ হৈ কাম নকৰা চৰকাৰী চাকৰিয়ালক বদলি কৰা হৈছে। মুখ্যমন্ত্ৰীক আক্ৰমণ কৰি হুছেইন কয় যে মুখ্যমন্ত্ৰীৰ কথা আৰু কামৰ মিল নাই। লোকসভা নিৰ্বাচনত ধুবুৰীত প্ৰচাৰ নকৰো বুলি কৈছিল। কিন্তু ধুবুৰীত প্ৰচাৰ চলাইছে। চামগুৰিত আতংকময় পৰিৱেশ সৃষ্টি কৰা হৈছে। মুখ্যমন্ত্ৰীৰ অতীত বৰ ফৰকাল নাছিল। সেয়েহে বিজেপিয়েও ভয় খাবলৈ আৰম্ভ কৰিছে। এনেদৰে এতিয়া চামগুৰি সমষ্টিত পুত্ৰক জিকাবলৈ আক্ৰমণাত্মক হৈ পৰিছে ৰকিবুল।

# উৰণীয়া সেতুৰ নামত দীঘলিপুখুৰী ধ্বংসৰ বিৰুদ্ধে আজি নাগৰিকৰ বিক্ষোভ

**ই-সংবাদ, ২৮ অক্টোবৰঃ** ৰিজাৰ্ভ বেংকৰ কাষৰ পৰা নুনমাটিলৈ প্ৰায় ছয়মাইল দৈৰ্ঘ্যজোৰা উৰণ সেতুৰ নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ কৰিছে আৰু ইয়াৰ মাজতে উৰণ সেতুৰ নক্সাৰ পৰৱৰ্তন ঘটাই তৈয়বুল্লাহ পথক সামৰি লোৱাত দীঘলিপুখুৰীৰ ঐতিহ্য আৰু সৌন্দৰ্যক ক্ষতিগ্ৰস্ত কৰিব বুলি স্থানীয় জনসাধাৰণৰ লগতে গুৱাহাটীবাসী ক্ষুব্ধ হৈ পৰিছে। আজি কৰ্তৃপক্ষই দীঘলীপুখুৰীৰ দুয়োকাষৰ মহম্মদ তৈয়বুল্লাহ পথ আৰু সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ সন্মুখৰ পথৰ প্ৰায় ২৫ ডাল গছ কটাৰ বাবে চিহ্নিত কৰি হালধীয়া ৰঙৰ ক্ৰছ চিহ্ন আকি দিছে আৰু ইয়াৰ ভিতৰত প্ৰায় দুশ বছৰীয়া গছো আছে বুলি অভিযোগ উত্থাপিত হৈছে। তথ্য জনাৰ অধিকাৰ অনুসৰি কৰা এক আবেদনৰ উত্তৰত পি ডব্লিউ ডিৰ কাৰ্যবাহী অভিযন্তাই স্বীকাৰ কৰিছে যে উক্ত উৰণ সেতুৱে দীঘলিপুখুৰীৰ পাৰিপাৰ্শ্বিকতা ঐতিহ্যৰ ওপৰত পেলাব পৰা সাম্ভাব্য প্ৰভাৱ সম্পৰ্কে কোনো ধৰণৰ অধ্যায়ন কৰা নাই আৰু ৰাজহুৱা শুনানিৰো ব্যৱস্থা কৰা নাছিল। বহু চৰাই-চিৰকতিৰ বাস, গুৱাহাটীৰ হাওঁফাওঁ সদৃশ দীঘলিপুখুৰীৰ পাৰৰ গছ কটা, ঐতিহ্য আৰু সৌন্দৰ্য হানি কৰিব বিচৰাক লৈ গুৱাহাটীৰ প্ৰকৃতিপ্ৰেমীসকল জাঙুৰ খাই উঠিছে। ইতিমধ্যে গুৱাহাটীৰ ৩৮ গৰাকী বিশিষ্ট নাগৰিকে গছ কটাৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি কাইলৈ অৰ্থাৎ ২৯ অক্টোবৰত এক বিক্ষোভ কাৰ্যসূচীৰ আহবান জনাইছে। উক্ত ৩৮ গৰাকী ব্যক্তিয়ে জাৰি কৰা এক বিবৃতিত আহবান জনাইছে, "যোৱা সময় চোৱাত পৰিৱেশৰ ওপৰত পৰিব পৰা প্ৰভাৱ সম্পৰ্কে অধ্যয়ন নকৰাকৈ, স্থানীয় ৰাইজৰ মতামত নোলোৱাকৈ নুনমাটিৰ পৰা দীঘলীপুখুৰীলৈ উৰণ সেতু নিৰ্মাণৰ কাম হাতত লোৱা হ'ল। এতিয়া ২০০ বছৰীয়া গছ-গছনি কাটি উৰণ সেতু নিৰ্মাণৰ কাম কৰিব বিচৰা হৈছে। এই কাৰ্য্যই দিঘলীপুখুৰীৰ জৈৱবৈচিত্ৰ আৰু ঐতিহ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব, লগতে সমগ্ৰ গুৱাহাটী মহানগৰীৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত প্ৰভাৱ পেলাব। বহু চৰাই-চিৰিকটিৰ আশ্ৰয়স্থলী হোৱাৰ উপৰিও এই গছ-গছনিয়ে মানুহক উৎকট গৰমৰ পৰা সকাহ দি আহিছে। এই অঞ্চলটোৱে মহানগৰীখনৰ হাওঁফাওঁৰ দৰে কাম কৰি আহিছে। এনে এক সময়ত নিশ্চয় এই গছ-গছনি কটা কাৰ্যৰ বিৰুদ্ধে এগৰাকী সচেতন নাগৰিক হিচাপে আমাৰ দায়িত্ব হৈছে কণ্ঠস্বৰ সবল কৰাৰ। সেয়েহে অহা ২৯ অক্টোবৰৰ পুৱা ১১-৩০ বজাৰ পৰা দীঘলীপুখুৰীত গছ-গছনি কাটি উৰণ সেতু নিৰ্মাণ কাৰ্যৰ বিৰুদ্ধে এক প্ৰতিবাদী কাৰ্যসূচী দীঘলীপুখুৰীৰ কাষত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। আশা কৰিছো গুৱাহাটী মহানগৰীৰ প্ৰত্যেক গৰাকী সচেতন ৰাইজে ইয়াত অংশগ্ৰহণ কৰিব।" বিবৃতিটোত স্বাক্ষৰ কৰিছে যথাক্ৰমে ইন্দ্ৰানী দত্ত, মছদ্দৰ হুছেইন, শান্তনু বৰঠাকুৰ, নজিব আহমেদ, মৌচম হাজৰিকা, বেণুধৰ বৰুৱা, কীৰ্তি কমল ভুঞা, মাইনী মহন্ত, মনোৰমা শৰ্মা, অপূৰ্ব বৰুৱা, দেবেন দেৱান, মাধুৰিমা বৰুৱা, অজিত পাটোৱাৰী, সিদ্ধেশ্বৰ দাস, ডঃ ভূপেন ডেকা, ডঃ বিমল মেধি, ত্ৰিদিব বৰা, ডঃ জয়ন্ত বৰুৱা, খনীন সিকদাৰ, হামিদ হুছেইন, ফায়েক আজাদ, দীপাঙ্ক হাজৰিকা, কৰবী দত্ত, সদা শৰ্মা, সবিতা লহকৰ, প্ৰফুল্ল শৰ্মা, শঙ্কৰ শইকীয়া, ৰাজীৱ ফুকন, অমৰদীপ গগৈ, সুস্নাতা গোস্বামী, খনীন তালুকদাৰ, ফনীন্দ্ৰ দত্ত পাটগিৰি, তন্মনা চৌধুৰী, এহচান মুজিদ, অৰ্চনা ভট্টচাৰ্য্য, প্ৰণৱ তালুকদাৰ, মধুমিতা তালুকদাৰ আৰু পূজা নিৰলাই। সচেতন নাগৰিকৰ এই প্ৰতিবাদক প্ৰশাসনে কিদৰে গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# মৈৰাবাৰী মধ্য ইংৰাজী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক প্ৰেৰণা বঁটা প্ৰদান

**ই-সংবাদ, মৈৰাবাৰী, ২৮ অক্টোবৰঃ** মৈৰাবাৰীৰ আগশাৰীৰ শিক্ষানুষ্ঠান মৈৰাবাৰী মধ্য বিদ্যালয়ত আজি প্ৰেৰণা বঁটা প্ৰদান কৰা হয়। প্ৰত্যেক বছৰে বিদ্যালয়ত মেধাৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীক প্ৰেৰণা বঁটা প্ৰদান কৰি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীক শৈক্ষিক দিশত উৎসাহ দিয়াৰ চেষ্টাৰে বিদ্যালয়খনৰ ৬, ৭, ৮ শ্ৰেণীৰ পঞ্চাশৰো অধিক ছাত্ৰ-ছাত্ৰীক দিয়া হয় এই প্ৰেৰণা বঁটা। আজিৰ প্ৰেৰণা বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অহা ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ কৰিব লগা মৈৰাবাৰী মহাবিদ্যালয় অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ অংশুমান দাস। আনহাতে, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে লাহৰীঘাট শিক্ষা খণ্ডৰ শিক্ষা বিষয়া বাহাৰুল ইছলাম, মৈৰাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক হিফজুৰ ৰহমান খান, মৈৰাবাৰী প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি বদৰুজ জামান আকতাৰ, মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যাপক ক্ৰমে ডঃ ময়দুল ইছলাম, ৰফিকুল ইছলামকে আদি কৰি অঞ্চলটোৰ বহুকেইগৰাকী গণ্য মান্য ব্যক্তি।

# অসম কৃষি বিশ্ববিদ্যালয়ত ভাৰতীয় ভূমি বিজ্ঞান সংস্থাৰ বক্তৃতা অনুষ্ঠান

**ই-সংবাদ, যোৰহাট, ২৮ অক্টোবৰঃ** যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয় ভাৰতীয় ভূমি বিজ্ঞান সংস্থাৰ ২১ সংখ্যক ডঃ ৰাধা ৰমণ আগৰৱালা সোঁৱৰণী বক্তৃতা অনুষ্ঠান আজি অনুষ্ঠিত হয়। ভাৰতীয় ভূমি বিজ্ঞান সংস্থাৰ যোৰহাট শাখাই আয়োজন কৰা এই অনুষ্ঠানত বক্তৃতা প্ৰদান কৰে ভূপালস্থিত ভাৰতীয় ভূমি বিজ্ঞান প্ৰতিষ্ঠানৰ সঞ্চালক তথা দেশৰ এগৰাকী প্ৰসিদ্ধ ভূমি বিজ্ঞানী ডঃ এছ পি দত্তই। শতাধিক লোক উপস্থিত থকা এই অনুষ্ঠানটোত বিশ্ববিদ্যালয়খনৰ ভিন ভিন বিভাগৰ মুৰব্বী অধ্যাপক তথা শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ লগতে ভাৰতীয় মাটি জৰীপ আৰু ভূমি ব্যৱহাৰ পৰিকল্পনা সংস্থাৰ উত্তৰ-পূৱ ভাৰতৰ আঞ্চলিক কেন্দ্ৰৰ বিজ্ঞানীসকলেও অংগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতীয় ভূমি বিজ্ঞান সংস্থাৰ যোৰহাট শাখাৰ সভাপতি ডঃ কুলেন্দ্ৰ নাথ দাসে আদৰণি ভাষণ প্ৰদান কৰি শাখাটোৰ কৰ্মৰাজি সম্পৰ্কে চমু খতিয়ান ডাঙি ধৰে। ইয়াৰ পিছতেই ভূমি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডঃ দিলীপ কুমাৰ পাটগিৰিয়ে তেওঁৰ ভাষণত বিভাগটোৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলে কেনেকৈ ভাৰতীয় ভূমি বিজ্ঞান সংস্থাৰ ভিন ভিন কাৰ্যসূচীত অংশগ্ৰহণ কৰি আছে সেই সম্পৰ্কে কিছু আভাস দিয়ে। ভাৰতীয় ভূমি বিজ্ঞান সংস্থাৰ যোৰহাট শাখাৰ সম্পাদক ডঃ বিপুল ডেকাই অনুষ্ঠানটোৰ আঁত ধৰি ডঃ ৰাধা ৰমণ আগৰৱালা তথা আমন্ত্ৰিত বক্তা ডঃ এছ পি দত্তই ভাৰতীয় ভূমি বিজ্ঞানৰ ক্ষেত্ৰখনত কেনেদৰে অৱদান যোগাইছে সেই সম্পৰ্কে কিছু আভাস দিয়ে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা অসম কৃষি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষা সঞ্চালক ডঃ অনুপ কুমাৰ দাসে বন্তি প্ৰজ্বলন কৰি এই অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। উদ্বোধনী ভাষণত তেওঁ বহনক্ষম কৃষিৰ ওপৰত গুৰুত্ব দিবলৈ সকলোকে আহবান জনায়। ইয়াৰ পিছতেই আমন্ত্ৰিত বক্তা ডঃ দত্তই 'দৃশ্য-শ্ৰব্য মাধ্যমেৰে মাটি আৰু মানৱ স্বাস্থ্য' বিষয়ক এটি মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে। বক্তিতা অনুষ্ঠানৰ পিছতেই সমজুৱাৰ ফালৰ পৰা ভিন ভিন প্ৰশ্নও উত্থাপন কৰা হয় আৰু এইসমূহ প্ৰশ্নৰ সমিধান ডঃ দত্তই প্ৰদান কৰে। কৃষি বিশ্ববিদ্যালয়খনৰ শৈক্ষিক কক্ষৰ সভাগৃহত আয়োজিত এই অনুষ্ঠানটোৰ সামৰণিত শলাগৰ শৰাই আগবঢ়ায় মুখ্য বিজ্ঞানী ডঃ বিপুল ডেকাই।

## সমস্যা সমাধান নকৰিলে আত্মজাহৰ হুংকাৰ ক্ষোভিত শিক্ষকৰ

# তিনিটাকৈ দশক শিক্ষকতা কৰিও চৰকাৰী সুবিধাৰ পৰা বঞ্চিত

**ই-সংবাদ, সোণাৰি, ২৮ অক্টোবৰঃ** চৰাইদেউ জিলা শিক্ষা বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত চক্ৰাই আদৰ্শ উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে আজিৰ পৰা অনিৰ্দিষ্টকালীন শ্ৰেণী বৰ্জন আৰু অৱস্থান ধৰ্মঘট কাৰ্যসূচী আৰম্ভ কৰিছে। বিদ্যালয়খন আজি এটা বছৰ পূৰ্বে প্ৰাদেশীকৰণ হোৱা বুলি ঘোষণা কৰিছিল ৰাজ্য চৰকাৰে। কিন্তু লক্ষণীয়ভাৱে বিদ্যালয়খনৰ কৰ্মৰত শিক্ষকসকলৰ সমস্যাসমূহ সমাধান নকৰি নতুনকৈ এগৰাকী প্ৰধান শিক্ষকসহ আঠ গৰাকী শিক্ষকক নিযুক্তি দিয়াৰ বিষয়ে প্ৰকাশ কৰে। ফলত অসন্তুষ্ট হৈ পৰিছে ৩০ বছৰ ধৰি অপ্ৰাদেশীকৃত শিক্ষকসকল। অসন্তুষ্ট শিক্ষকসকলে শীঘ্ৰেই তেওঁলোকৰ সমস্যা সমাধান নকৰিলে আত্মজাহ দিয়াৰ হুংকাৰ প্ৰদান কৰিছে চৰকাৰক। আনহাতে, শিক্ষা বিভাগৰ হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে কৰ্মৰত শিক্ষকসকলৰ লগতে বিদ্যালয় পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি আজিৰে পৰা আন্দোলন কাৰ্যসূচী আৰম্ভ কৰিছে। কাৰ্যসূচীত স্থানীয় বিভিন্ন দল-সংগঠন, প্ৰাক্তন ছাত্ৰ আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি শীঘ্ৰেই সমস্যা সমাধানৰ দাবী উত্থাপন কৰিছে।




ফুলনি নহয়! সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ সন্মুখ ভাগ ভৰিছে অসম চৰকাৰে প্ৰদান কৰা স্কুটিয়ে

# সুধাকণ্ঠক স্মৰণঃ বংশৰত ত্ৰয়োদশ বাৰ্ষিক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ই-সংবাদ, গুৱালকুছি, ২৮ অক্টোবৰঃ** কামৰূপ জিলাৰ বংশৰত সুধাকণ্ঠ স্মৃতি ৰক্ষা সমিতি, বংশৰৰ উদ্যোগত বিশ্ব বৰণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ স্মৃতিত ত্ৰয়োদশ বাৰ্ষিক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে অহা ৫ নৱেম্বৰত ভূপেন হাজৰিকাৰ মৃত্যুৰ দিনটোত সদৌ অসমভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতি বছৰে ৫ নৱেম্বৰৰ দিনটোত সুধাকণ্ঠ স্মৃতি ৰক্ষা সমিতি, বংশৰে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি জনাই আহিছে। এইবেলিও ৫ নৱেম্বৰত পুৱা ৮ বজাত বংশৰ তিনি আলিত চ'কত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰা হ'ব। পুৱা ১০ বজাৰ পৰা সদৌ অসম ভিত্তিত ১২ বছৰৰ উৰ্দ্ধৰ প্ৰতিযোগীৰ বাবে এখন ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আয়োজন কৰা হৈছে। ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰয়াত ওৱাজেদ আলীৰ সোঁৱৰণত ১০,০০১ টকা, দ্বিতীয় পুৰস্কাৰ প্ৰয়াত ভৈৰৱেন্দ্ৰ কাকতিৰ সোঁৱৰণত ৭০০১ টকা আৰু তৃতীয় পুৰস্কাৰ প্ৰয়াত কামেশ্বৰ বৈশ্যৰ সোঁৱৰণত ৩০০১ টকা। আনহাতে, প্ৰতিযোগিতাখনিৰ ভৰ্তি মাচুল হৈছে ২০১ টকা। এই সন্দৰ্ভত অধিক জানিবলৈ ৯৭০৭২৮৪৮৪১, ৮৪৮৬৮৭২৮৬০, ৯১০১১৯৫৭০১ ভ্ৰাম্যমাণ নম্বৰত যোগাযোগ কৰিবলৈ আয়োজন সমিতিৰ সভাপতি কনক দাস আৰু সচিব অম্বিকা বৈশ্যই আহ্বান জনাইছে। পুৱা ১০ বজাৰ পৰা সদৌ অসম ভিত্তিত হ'বলগীয়া ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু সন্ধিয়ালৈ আয়োজন সুধাকণ্ঠলৈ সাংস্কৃতিক কাৰ্যসূচীত ৰাইজৰ সহায়- সহ যোগিতা, উপস্থিতি উদযাপন সমিতিয়ে কামনা কৰিছো।

# খৰিকটা হাইস্কুলৰ শিক্ষক শৰৎ চন্দ্ৰ কাকতিক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৮ অক্টোবৰঃ** কামৰূপ জিলাৰ কৰৰা শিক্ষাখণ্ডৰ অন্তৰ্গত খৰিকটা হাইস্কুলৰ শিক্ষক শৰৎ চন্দ্ৰ কাকতিক দেওবাৰে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সেইমৰ্মে খৰিকটা হাইস্কুল প্ৰাংগণত বিদ্যালয়খনৰ প্ৰধান শিক্ষক ঈশ্বৰ চন্দ্ৰ শৰ্মাৰ সঞ্চালনাত এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। এই সভাত অৱসৰপ্ৰাপ্ত শিক্ষক শৰৎ চন্দ্ৰ কাকতিক ফুলাম গামোচা, শৰাই, গ্ৰন্থৰ টোপোলা, কলম আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিদায়ী শিক্ষকগৰাকীক খৰিকটা হাইস্কুলৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰাক্তন ছাত্ৰ নেতা জগদীশ ডেকা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অচ্যুত চন্দ্ৰ শৰ্মা প্ৰমুখ্যে বহুকেইগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। শিক্ষক মহৎ চন্দ্ৰ ডেকাই আঁত ধৰা সম্বৰ্ধনা সভাখনত কেইবাগৰাকীও প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা স্থানীয় বিশিষ্ট ব্যক্তিয়ে বিদায়ী শিক্ষকগৰাকীক শ্ৰদ্ধা জনাই প্ৰদান কৰা নিজৰ নিজৰ বক্তব্যত খৰিকটা হাইস্কুলৰ ইংৰাজী বিষয়ৰ সহঃ শিক্ষক শৰৎ চন্দ্ৰ কাকতিৰ কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন কৰে। বিদায় সভাৰ পূৰ্বে শিক্ষকগৰাকীক ৰাধাকুছি গাঁৱৰ নিজ বাসগৃহৰপৰা শিক্ষক, ছাত্ৰ-ছাত্ৰী তথা শুভকাংক্ষীসকলে শোভাযাত্ৰা কৰি খৰিকটা হাইস্কুললৈ আদৰি আনে।



## ৰাজ্যৰ ভিন্ন প্ৰান্তত পোহৰৰ উৎসৱ দীপান্বিতাৰ ব্যস্ততা

# দীপান্বিতাৰ ব্যস্ততা, লক্ষাধিক মাটিৰ চাকি নিৰ্মাণ হাজোৰ মৃৎ শিল্পীৰ

**ই-সংবাদ, হাজো, ২৮ অক্টোবৰঃ** সমাগত পোহৰৰ উৎসৱ দীপান্বিতা বা দিপাৱলী। দেশ তথা ৰাজ্যৰ অন্যান্য প্ৰান্তৰ সমান্তৰালকৈ হাজোতো দেখা গৈছে দীপাৱলীৰ ব্যস্ততা। বিশেষকৈ হাজো-ৰামদিয়া অঞ্চলৰ মৃৎ শিল্পীসকলৰ মাজত দেখা পোৱা গৈছে বিৰামহীন ব্যস্ততা। ভিন্ন আকৃতিৰ সৰু-বৰ লাখ লাখ মাটিৰ চাকি সাজি উলিয়াইছে মৃৎ শিল্পীসকলে। অতীজৰে পৰা এই মৃৎ শিল্পসকলে মাটিৰে নিৰ্মিত বিভিন্ন বাচন-বৰ্তন প্ৰস্তুত কৰি আহিছে। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰি উলিওৱা এই লাখ লাখ মাটিৰ চাকি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ বজাৰত উপলব্ধ হ'ব। ২ টকা ৫ টকা ১০ টকা ১৫ টকা মূল্যৰ চাকিয়ে দিপাৱলীৰ প্ৰাকক্ষণত চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰে হাজো আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ মৃৎ শিল্পৰ লগত ওতঃপ্ৰোতভাৱে জড়িত লোকসকলে। এওঁলোকে অতীজৰে পৰা একমাত্ৰ মৃত শিল্পটোক জীয়াই ৰখাৰ স্বাৰ্থত এইদৰেই নিজকে আগবঢ়ায় দিয়াৰ পিছতো কোনোকালে চৰকাৰে কোনোধৰণৰ সহযোগিতা নকৰাত ক্ষোভ প্ৰকাশ কৰে। এওঁলোকৰ দাবী এতিয়াও সময় আছে আমাক চৰকাৰে অলপ সহযোগ কৰক, আমি মৃত শিল্পটোক জীয়াই ৰাখিব বিচাৰো। লগতে স্থানীয় বিধায়িকা সুমন হৰিপ্ৰিয়াকো সহযোগিতাৰ হাত আগবঢ়াবলৈ আহ্বান ভিন্ন প্ৰান্তৰ মৃৎ শিল্পৰ লগত জড়িত লোকসকলৰ। পোহৰাই তুলিব প্ৰতিঘৰ লোকৰ পদূলি। আনহাতে,

# ষঠ পূজা উদযাপন সন্দৰ্ভত ডিব্ৰুগড় জিলা প্ৰশাসনৰ সভা

**ই-সংবাদ, ডিব্ৰুগড়, ২৮ অক্টোবৰঃ** ডিব্ৰুগড়ত আগন্তুক ষঠ পূজা উদযাপন সন্দৰ্ভত বিতং আলোচনাৰ বাবে ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি অতিৰিক্ত জিলা আয়ুক্ত অসীম বৰগোহাঁইৰ সভাপতিত্বত ষঠ পূজা উদযাপন সমিতিৰ বিষয়ববীয়াৰ সৈতে এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত ষঠ পূজা উদযাপনৰ বাবে ঘাট নিৰ্ধাৰণ কৰাৰ লগতে ভক্তপ্ৰাণ ৰাইজৰ সুবিধা হোৱাকৈ পূজাৰ ঘাটসমূহৰ প্ৰস্তুতি সন্দৰ্ভত বিতংকৈ আলোচনা কৰা হয়। এই ক্ষেত্ৰত জিলাখনৰ আটাইকেইটা ৰাজহচক্ৰৰ চক্ৰ বিষয়াসকলক নিজ নিজ এলেকাৰ অন্তৰ্গত ষঠ পূজাৰ ঘাটসমূহ জলসম্পদ বিভাগৰ বিষয়ববীয়া তথা আৰক্ষীৰ সৈতে যুটীয়াভাৱে পৰ্যাবেক্ষণ কৰি ভক্তপ্ৰাণ ৰাইজৰ বাবে সুৰক্ষিত তথা সুবিধাজনক হয় নে নহয় সেই বিষয়ে তাৎক্ষণিকভাৱে জনাবলৈ নিৰ্দেশ দিয়ে। আনহাতে, ষঠ পূজা উদযাপনৰ সময়ছোৱাত যাতে শান্তি-শৃংখলা ভংগ নহয় লগতে কোনোধৰণৰ কূটাঘাটমূলক কাৰ্যকলাপ সংঘটিত নহয় তাৰ বাবে ষঠ পূজা উদযাপন সমিতিৰ বিষয়ববীয়াসকলক সাৱধানতা অৱলম্বন কৰাৰ উপৰি পৰ্যাপ্ত সংখ্যক স্বেচ্ছাসেৱক নিয়োগ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰোপৰি স্বেচ্ছাসেৱকসকলৰ নাম নিকটৱৰ্তী আৰক্ষী চকীত জমা দিবলৈ নিৰ্দেশ দিয়া হয়। আনহাতে, পূজাস্থলীত চি চি টি ভি লগাবলৈয়ো নিৰ্দেশ দিয়া হয়। ভক্তপ্ৰাণ ৰাইজৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে নিৰ্ধাৰণ কৰা ঘাটত পূজা উদযাপন কৰিবলৈ আহ্বান জনায়। এই সভাত অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষ প্ৰমুখ্যে জিলা প্ৰশাসনৰ বিষয়া আৰু আৰক্ষীৰ যান-বাহন শাখাৰ বিষয়াবৰ্গ উপস্থিত থাকে।

## আমগুৰি ৰাজহুৱা প্ৰেক্ষাগৃহত বিশাল প্ৰতিবাদী নাগৰিক সভা


# ৰাজহ চক্ৰ বিষয়াৰ লগতে অন্যান্য কাৰ্যালয় স্থানান্তৰৰ বিৰোধিতা

**ই-সংবাদ, আমগুৰি, ২৮ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ আমগুৰি ৰাজহুৱা প্ৰেক্ষাগৃহত দহ শতাধিক ৰাইজৰ উপস্থিতিত আজি এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। উদয়াদিত্য বৰা আৰু পল্লৱজ্যোতি গগৈয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে ডঃ ডিম্বেশ্বৰ দত্তই। সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে দিগন্ত বৰুৱাই। প্ৰাক্তন অধ্যক্ষ যোগেশ কিশোৰ ফুকন, প্ৰাক্তন উপাধ্যক্ষ বিমল শইকীয়া, ডঃ ৰুবুল বৰুৱা, শিক্ষাবিদ সুৰেন বৰা, প্ৰাক্তন শিক্ষা বিষয়া প্ৰমোদ বৰুৱা, জ্যেষ্ঠ ব্যক্তি ৰবীন বৰকটকী, টাই পুৰোহিত বুদ্ধেশ্বৰ হেনচুৱা, পুৰুজিত মহন্ত, দীপক দত্ত, জ্যোতি গগৈ, মুকুট শইকীয়া, কাশীনাথ পাত্ৰ, পুতুল প্ৰাণ শইকীয়া, ঋতুমণি হাজৰিকা, অসম গণ পৰিষদৰ অভিস্পিত শইকীয়া, ৰাণী শৰ্মা, সংবাদদাত বাবুল বৰুৱা, দুলাল কলিতা, প্ৰাঞ্জল হাজৰিকা, ৰবীন হাজৰিকা, উদীপ্ত পল্লৱ বৰুৱা, শংকৰ লোহিৰা, অল্লানজ্যোতি মহন্ত আৰু গণ্যমান্য বহু ব্যক্তিয়ে আমগুৰি ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় আৰু আন আন কাৰ্যালয় স্থানান্তৰকৰণৰ বিৰোধিতা কৰে আৰু আমগুৰি সমষ্টি অসমৰ মানচিত্ৰৰ পৰা বিলুপ্তিকৰণৰ হোৱাৰ বেছিদিন নৌহওঁতেই পুনৰ কাৰ্যালয়সমূহ স্থানান্তৰ কৰিবলৈ লোৱা কাৰ্যৰ বাবে শাসনাধিষ্ঠিত বিজেপি চৰকাৰখনক জগৰীয়া কৰে। লগতে মিত্ৰজোঁটৰ চৰকাৰৰ বিধায়ক প্ৰদীপ হাজৰিকাকো তীব্ৰ সমালোচনা কৰাৰ লগতে বৰ্তমান সময়ত বিধায়কগৰাকীক নীৰৱ ভূমিকা গ্ৰহণ কৰি নাথাকিবলৈ আহ্বান জনায়। প্ৰতিবাদী সভাৰ শেষত উপস্থিত ৰাইজে এক প্ৰতিবাদী সমদল কৰি আমগুৰি ৰাজহ চক্ৰ কাৰ্যালয় হস্তান্তৰ কৰা কাৰ্য বাতিল কৰক, আমগুৰিবাসী ৰাইজৰ ঐক্যবদ্ধ সংগ্ৰাম জিন্দাবাদ, কাৰ্যালয়সমূহ স্থানান্তৰ কৰিবলৈ দিয়া নহ'ব আদি শ্ল'গানেৰে আমগুৰি নগৰ চাৰিআলিত প্ৰায় এঘণ্টা ধৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীত আমগুৰি ৰাজহ চক্ৰ বিষয়া উপস্থিত হোৱাত স্মাৰক পত্ৰ প্ৰদান কৰি ৰাজহ চক্ৰ কাৰ্যালয়ৰ লগতে আন আন কাৰ্যালয়সমূহ আমগুৰিৰ পৰা স্থানান্তৰ কৰিব বিচাৰিলে প্ৰতিবাদ ভয়ংকৰ হ'ব বুলি প্ৰতিবাদকাৰীসকলে হুংকাৰ প্ৰদান কৰে।

## স্বাৰস্বত ন্যাস পৰিষদৰ সৰ্বোচ্চ সন্মান

# বিশিষ্ট ভাস্কৰ্যশিল্পী, চিত্ৰশিল্পী বীৰেন সিংহলৈ 'সাৰস্বত সন্মান'

**ই-সংবাদ, ডিব্ৰুগড়, ২৮ অক্টোবৰঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ নগেন শইকীয়াৰ 'স্বাৰস্বত ন্যাস পৰিষদে' প্ৰদান কৰি অহা ন্যাসৰ সৰ্বোচ্চ সন্মান 'সাৰস্বত সন্মান' এইবাৰ প্ৰদান কৰা হ'ব অসম তথা ভাৰতৰ এগৰাকী বিশিষ্ট ভাস্কৰ্য আৰু চিত্ৰশিল্পী তথা গুৱাহাটীৰ পাঞ্জাবাৰী নিবাসী বীৰেন সিংহক। ন্যাস পৰিষদৰ সভাপতি ডঃ কন্দৰ্প কুমাৰ ডেকা, সম্পাদক বীৰেন বৰুৱা আৰু প্ৰচাৰ সচিব ৰতন হাজৰিকাই এক প্ৰেছ বিজ্ঞপ্তিযোগে এইকথা প্ৰকাশ কৰি কয় যে ন্যাস পৰিষদে শিল্পীগৰাকীৰ শিল্পকৰ্মৰ শ্ৰেষ্ঠত্ব আৰু ভাস্কৰ্য আৰু চিত্ৰশিল্পলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ প্ৰতি লক্ষ্য ৰাখি এই বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে সাৰস্বত ন্যাস পৰিষদে কেন্দ্ৰস্থ ব্যক্তি তথা প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা, সাহিত্য একাডেমি ফেল', অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ নগেন শইকীয়াৰ জন্মদিন ১১ ফেব্ৰুৱাৰীৰ দিনটো 'মিতভাষ দিৱস' হিচাপে পালন কৰি এক বক্তৃতানুষ্ঠান আয়োজন কৰি অহাৰ লগতে অসমৰ ভাষা, সাহিত্য, শিল্পকলা আদিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কাম কৰি অহা অসমৰ একোগৰাকী ব্যক্তিক ন্যাসৰ সৰ্বোচ্চ সন্মান 'সাৰস্বত সন্মান' প্ৰদান কৰি আহিছে। এই অনুসৰি অহা ২০২৫ বৰ্ষৰ ১১ ফেব্ৰুৱাৰীত এইগৰাকী ভাস্কৰ্যশিল্পী আৰু চিত্ৰশিল্পীক এই সন্মান প্ৰদানৰ লগতে 'মোৰ শিল্প সাধনাৰ যাত্ৰাপথ' শীৰ্ষক বিষয়ক এক বক্তৃতা প্ৰদানৰ বাবেও ন্যাস পৰিষদে কৰা অনুৰোধ ৰক্ষাৰ বাবে শিল্পীগৰাকীয়ে ইতিমধ্যে সন্মতি প্ৰকাশ কৰিছে। ১৯৫১ চনত কামৰূপ জিলাৰ ছয়গাঁৱত জন্মগ্ৰহণ কৰা বীৰেন সিংহ কেৱল অসমৰে নহয় দেশৰ ভিতৰতে এগৰাকী



লেখত ল'বলগীয়া ভাস্কৰ্য শিল্পী আৰু চিত্ৰশিল্পী। তেওঁৰ শিল্পকৰ্মই ইতিমধ্যে দেশজোৰা খ্যাতি লাভ কৰিছে। ইতিমধ্যে এইগৰাকী ব্যক্তিয়ে জাতীয় শিল্পী বঁটা, প্ৰণৱ বৰুৱা বঁটা, বিষ্ণুৰাভা বঁটা, ৰংবং তেৰাং সমন্বয় বঁটাকে ধৰি বিভিন্ন বঁটা আৰু সন্মানেৰে সন্মানিত হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ে এইগৰাকী শিল্পীক সন্মানসূচক ডক্টৰেট ডিগ্ৰীও প্ৰদান কৰিছে। ইয়াৰ উপৰি অসমীয়া চলচ্চিত্ৰ 'পানী', কাৰ্বি চলচিত্ৰ 'জিৰচং' আৰু ডিমাছা চলচিত্ৰ 'দি আনট'ল্ড ষ্টৰী অৱ ব্লু হিলছ' আদি ফিছাৰ ফিল্ম আৰু বহুকেইটা ভ্ৰাম্যমাণ নাট্যদলত আৰ্ট ডিৰেক্টৰৰ দায়িত্ব সফলভাৱে পালনেৰে শিল্প জগতলৈ অৱদান আগবঢ়াইছে। ইয়াৰ উপৰি নতুন দিল্লী, কলকাতাকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত একক চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰি সমালোচকৰ উচ্চ প্ৰশংসাৰে প্ৰশংসিত হৈছে।

# শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, শুৱালকুছি, ২৮ অক্টোবৰঃ** শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱলৈ মাজত মাথোঁ কেইটামান দিন বাকী। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেখা গৈছে ৰাস উদযাপনৰ ব্যাপক প্ৰস্তুতি। ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে বস্ত্ৰ নগৰী শুৱালকুছিৰ মহাবাহু ব্ৰহ্মপুত্ৰৰ সেউজ বালিচৰত ৩২ সংখ্যক শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱৰ প্ৰস্তুতি চলোৱা হৈছে। শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱৰ আজি লাইখুঁটা স্থাপন কৰা হয়। শুৱালকুছিৰ ব্ৰহ্মপুত্ৰৰ সেউজ বালিচৰত শংখ-ঘণ্টাৰ মাংগলিক ধ্বনিৰে লাইখুঁটা স্থাপন কৰে প্ৰাক্তন সভাপতি দীনেশ চন্দ্ৰ বৈশ্যই। ইয়াৰ আগেয়ে বন্তি প্ৰজ্বলন কৰে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ সত্ৰাধিকাৰ ৰাজীৱ লোচন সত্ত বাপে। শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱ বিগত বৰ্ষৰ দৰে এইবেলিও ১৫ নৱেম্বৰৰ পৰা ২৫ নৱেম্বৰলৈ ১১ দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰতিদিনে থাকিব বিশেষ আকৰ্ষণীয় কাৰ্যসূচী। সাংস্কৃতিক অনুষ্ঠানকে আদি কৰি থাকিব আনন্দ মেলাকে ধৰি ভালেমান আকৰ্ষণীয় অনুষ্ঠান।

# গোলাঘাটত ড্ৰাগছ দাহন কাৰ্যসূচী

**ই-সংবাদ, খুমটাই, ২৮ অক্টোবৰঃ** আজি গোলাঘাটত আৰক্ষীয়ে জব্দ কৰা বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰী দাহন কৰা হয়। গোলাঘাটৰ বগৰিজেং আৰক্ষী নিৰেশৰ খেলপথাৰত গোলাঘাট জিলাখনৰ বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰা চাৰিকোটি তেপন্ন লাখ ত্ৰিৰাশী হাজাৰ টকাৰ ড্ৰাগছ, হেৰ'ইন, গাঞ্জা আৰু টেবলেট আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ নেতৃত্বত দাহন কৰা হয়। উল্লেখ্য যে গোলাঘাট চহৰলৈ নিকটৱৰ্তী নাগালেণ্ড, মণিপুৰ আদিৰ পৰা দুষ্টচক্ৰই সৰবৰাহ দীৰ্ঘদিন ধৰি কৰি আহিছে যদিও গোলাঘাট আৰক্ষীৰ তৎপৰতাত বহুতক গাড়ীসহ আটক কৰাৰ দৃষ্টান্তও আছে। তাৰ পৰিপেক্ষিতত আজি গোলাঘাট আৰক্ষীয়ে ইমান মোটা অংকৰ নিচাজীতীয় দ্ৰব্যসমূহ দাহন কৰিবলৈ সক্ষম হৈছে। আনহাতে, সন্ত্ৰজন এই কাৰ্যৰ লগত জড়িত ব্যক্তিক জে'ললৈ প্ৰেৰণ কৰাৰ কথা আৰক্ষীৰ সূত্ৰেই প্ৰকাশ কৰিছে। প্ৰতিবছৰৰ দৰে এই বাৰো গোলাঘাটৰ বগৰিজেং আৰক্ষী নিৰেশৰ খেলপথাৰত এই দাহন কাৰ্য সম্পন্ন কৰা হয়।

## ৮০ বছৰ গৰকা শিক্ষানুষ্ঠানৰ চৌহদত উখল-মাখল পৰিৱেশ

# জাজৰি উচ্চতৰ মাধ্যমিক আৰ্দশ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ

**ই-সংবাদ, বেবেজীয়া, ২৭ অক্টোবৰঃ** নগাঁও জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান জাজৰি উচ্চতৰ মাধ্যমিক আদৰ্শ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহখনি ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে। দেশৰ স্বাধীনতাৰ পূৰ্বেই ১৯৪৪ চনতেই স্থাপন হোৱা তথা প্ৰজন্মৰ পিছত প্ৰজন্মই শৈক্ষিক দিশত উত্তৰণ ঘটাই সমাজৰ বিভিন্ন ক্ষেত্ৰত অৰিহণা দি অহা বিদ্যালয়খনৰ অধ্যয়ন কৰি যোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়ৰ প্ৰাংগণত সমবেত হৈ পাৰ হৈ যোৱা মধুৰ শৈক্ষিক দিনবোৰৰ স্মৃতি ৰোমন্থন কৰাৰ মানসেৰে আজিৰে পৰা বিস্তৃত কাৰ্যক্ৰমণিকাৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহখনিৰ আয়োজন কৰিছে। সেয়ে পুৱাৰে পৰা ৮০ বছৰ গৰকা শিক্ষানুষ্ঠানখনৰ চৌহদত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অৱসৰপ্ৰাপ্ত আৰু বৰ্তমানৰ কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী তথা অতিথিসকলৰ উপস্থিতিৰে একপ্ৰকাৰে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলনৰ পিছতে এটি বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষা তথা কণ্ঠ শিল্পী অঞ্জলি কটকীয়ে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা শোভাযাত্ৰাত বেহাৰবাৰী আউট প'ষ্টৰ 'মোহন' খ্যাত অভিনেতা দ্বীপজ্যেতি কেওট আৰু অভিনেত্ৰী কিংকিনি ভটাচাৰ্যই ভাগ লয়। এই বৰ্ণিল শোভাযাত্ৰাই বৃহত্তৰ জাজৰি অঞ্চল উজলাই তোলে। বিয়লি গুৰুবন্দনা আৰু সতীৰ্থ সম্মিলনৰ লগতে সন্ধিয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ৰং-ধেমালিৰ সাংস্কৃতিক অনুষ্ঠান 'ৰামধেনু' অনুষ্ঠিত কৰা হয়। ইফালে, দেওবাৰে পুৱাৰ ভাগত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ আলোচনা চক্ৰ 'প্ৰজন্মৰ পৰা প্ৰজন্মলৈ যুৱ মানসিকতা আৰু সামাজিক দায়বদ্ধতা' আৰু দুপৰীয়া মুকলি কুইজৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। সেইদৰে, বিয়লি অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত স্মৃতিগ্ৰন্থ 'এনাজৰী' উন্মোচন কৰা হ'ব। মুকলি সভাত নিদিষ্ট বক্তা হিচাপে আমন্ত্ৰণ কৰিছে সাহিত্যিক নন্দ সিং বৰকলা আৰু ইছমাইল হুছেইনক। সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষুৰ সংগীতানুষ্ঠানেৰে সমাৰোহখনিৰ সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# ছৈখোৱাত হাতীৰ গচকত মৃত্যু ১, শীঘ্ৰেই চৰকাৰক উচিত ক্ষতিপূৰণৰ দাবী

**ই-সংবাদ, ডুমডুমা, ২৮ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱা বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ছৈখোৱাঘাট(ধলা)ৰ ওপৰ লাউপানী গাঁৱত বনৰীয়া হাতীৰ গচকত এজন লোকৰ মৃত্যু হয়। প্ৰাপ্ত তথ্য অনুসৰি, গাঁওখনৰ নন্দলাল মুণ্ডাৰ একমাত্ৰ পুত্ৰ বিপন মুণ্ডা(২৭) যোৱা ২৫ অক্টোবৰৰ নিশা প্ৰায় ১০ বজাত নিজৰ কৃষিভুমিত পহৰা দি থকা অৱস্থাত সমীপৱৰ্তী হাঁহখাটি বনাঞ্চলৰ পৰা ওলাই অহা এটা বনৰীয়া হাতীৰ সৈতে মুখামুখি হয়। হাতীটোৰ উপৰ্যুপৰি আক্ৰমণ তথা গচকত বিপন মুণ্ডা অতি গুৰুতৰভাৱে আহত হয়। পৰিয়ালৰ লোকে বিপনক সংকটজনক অৱস্থাত প্ৰথমে ডাঙৰীস্থিত ডাঙৰী সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ লৈ আহে যদিও বিপনৰ আঘাত গুৰুতৰ দেখি চিকিৎসকে বিপনক তিনিচুকীয়া অথবা ডিব্ৰুগড়লৈ নিয়াৰ পৰামৰ্শ দিয়াত বিপনক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পাতালত ভৰ্তি কৰোৱা হয়। প্ৰায় দুদিন ধৰি অসম চিকিৎসা মহাবিদ্যালয়ত চলা চিকিৎসাৰ অন্তত জীৱন-মৃত্যুৰে যুঁজি কালি দিনৰ প্ৰায় ২ বজাত কৰুণ মৃত্যুক আঁকোৱালি লয় বিপনে। বিপনৰ অকাল মৃত্যুত আটছাৰ ছৈখোৱা আৰু হাঁহখাটি উপ-শাখা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে লোকজনৰ দুৰ্ভগীয়া পৰিয়ালটিক অতি শীঘ্ৰেই চৰকাৰক উচিত ক্ষতিপূৰণৰ ব্যৱস্থা কৰিবলৈ গ্ৰহণ দাবী জনাইছে। ঘটনা সন্দৰ্ভত হাঁহখাটি উপ-শাখা সমিতিয়ে আজি ডুমডুমা ৰাজহ চক্ৰ বিষয়াক এখন স্মাৰক-পত্ৰ প্ৰদান কৰাৰ লগতে হাঁহখাটি গাঁও পঞ্চায়তৰ অন্তৰ্গত ওপৰ লাউপানী, মিৰি আৰু মুলুক গাঁৱত অব্যাহত থকা বনৰীয়া হাতীৰ উপদ্ৰৱ ৰোধৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও উক্ত স্মাৰক-পত্ৰৰ যোগে চৰকাৰক দাবী জনায়। উল্লেখ্য যে, অঞ্চলটোত এনে ঘটনা পূৰ্বেও সংঘটিত হৈ আহিছে।

# গোলকগঞ্জত অভাৰলোড ডাম্পাৰৰ দৌৰাত্ম্যঃ নীৰৱ আৰক্ষী, পৰিবহণ বিভাগ

**ই-সংবাদ, গোলকগঞ্জ, ২৮ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জত আৰক্ষী, বন আৰু পৰিবহণ বিভাগৰ জ্ঞাতসাৰে নিৰ্বিঘ্নে অহৰ্নিশে শিল কঢ়িওৱা ডাম্পাৰৰ দৌৰাত্ম্যই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰ পৰা শিল কঢ়িওৱা ডাম্পাৰসমূহ তামাৰহাট, পাগলাহাট হৈ তামাৰহাটমোৰৰ পৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে সোনাহাট আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ লৈ যায়। তাতে শিলসমূহ জমা কৰা হয়। তাৰ পৰা বিভাগীয় নিয়মানুসৰি শিলসমূহ বাংলাদেশলৈ ৰপ্তানি কৰা হয়। শিলসমূহ ডাম্পাৰেৰে কঢ়িওৱাৰ ক্ষেত্ৰত সংঘটিত হৈছে চৰম দুৰ্নীতি-অনিয়ম। অভিযোগ মতে, ডাম্পাৰসমূহে বন আৰু পৰিবহণ বিভাগক ফাঁকি দি অত্যাধিক হাৰত শিল কঢ়িয়াই আহিছে। এইক্ষেত্ৰত মূল দায়িত্বত থাকে ছিণ্ডিকেট বাহিনী। সামগ্ৰী, চালান আদি সংগ্ৰহ কৰাৰ লগতে বন, পৰিবহণ বিভাগ, আৰক্ষী আদিক মেনেজ কৰাৰ দায়িত্বত ছিণ্ডিকেট বাহিনী। সকলোকে মেনেজ কৰাৰ বাবেই গুৰু-গোঁসাই নমনা হৈ পৰিছে ডাম্পাৰসমূহ। নিশাৰ ভাগত অত্যাধিক শিল পৰিবাহী ডাম্পাৰসমূহ তীব্ৰ বেগত যাতায়াত কৰে। যাৰ ফলত ইতিমধ্যে বহু কেইটা হৃদয় বিদাৰক দুৰ্ঘটনা সংঘটিত হৈছে।

## গৰাখহনীয়াই জীৱন-জীৱিকাৰ প্ৰতি ভাবুকি আনিলেও কৰ্মত নিয়োজিত

# মাজুলীৰ শালমৰাৰ ৫০০ পৰিয়ালৰ উৎপাদিত মাটি চাকিৰে ভৰিছে বজাৰ

**ই-সংবাদ, মাজুলী, ২৮ অক্টোবৰঃ** পোহৰৰ উৎসৱ দিপাৱলীত পোহৰাই তুলিবলৈ ৰাজ্যৰ বজাৰসমূহত বিভিন্ন প্ৰযুক্তিবিদ্যাৰে নিৰ্মিত সামগ্ৰী ভৰি পৰাৰ সমান্তৰালকৈ মৃৎশিল্পৰে উৎপাদিত সামগ্ৰীৰেও ভৰি পৰিছে বজাৰ। মৃৎশিল্পীসকলে বজাৰলৈ উলিয়াই দিছে মাটিৰ চাকি, মলা, ধুনাবাটিকে আদি কৰি বিভিন্ন সামগ্ৰী। মাজুলীৰ শালমৰাৰ মৃৎশিল্পৰ লগত জড়িত প্ৰায় ৫০০টা পৰিয়ালে দিনে নিশাই ব্যস্ত হৈ পোহৰৰ উৎসৱ দিপাৱলীৰ বাবে প্ৰস্তুত কৰি উলিয়াইছে বিভিন্ন ধৰণৰ মাটিৰ চাকিকে আদি কৰি প্ৰয়োজনীয় সামগ্ৰী। মাজুলীৰ কমলাবাৰী, বনগাঁও, ৰাৱনাপাৰ, ফুলনি, জেংৰাই, গড়মূৰ, বালিচাপৰিকে ধৰি বিভিন্ন বজাৰ শালমৰাৰ মাটি চাকিৰে ভৰি পৰাৰ লগতে শালমৰাৰ পৰা যোৰহাট, শিৱসাগৰ, গোলাঘাট, দেৰগাঁও, ধেমাজি, গোগামুখ, লখিমপুৰকে আদি কৰি ৰাজ্যৰ বিভিন্ন বজাৰলৈ ৰপ্তানি কৰিছে চাকি। ব্ৰহ্মপুত্ৰ নদীপৰীয়া মাজুলীৰ শালমৰাৰ প্ৰায় ৫০০ টা পৰিয়ালে বাৰিষাৰ বিভীষিকাময় পৰিৱেশ পাহৰি দিপাৱলী আহিলেই উৎফুল্লিত মনে মাটিৰ চাকি প্ৰস্তুত কৰে।এই সময়ত হাঁহি বিৰিঙে প্ৰত্যেকটো পৰিয়ালত। কিয়নো শালমৰাবাসীৰ এক মাত্ৰ জীৱন জীৱিকা এই মৃৎশিল্প। এই শিল্প উৎপাদন আৰু বিক্ৰী কৰি নিজৰ পৰিয়াল পোহপাল দিয়াৰ লগতে সন্তনক শিক্ষা দীক্ষা দি উপযুক্ত হিচাপে গঢ়ি তোলাৰ লগতে বছৰটোৰ বাবে যাৱতীয় সকলো খৰচ এই শিল্পবিধৰ পৰাই উলিয়াব লাগে। এতিয়া প্ৰত্যেকটি পৰিয়ালতে ব্যস্ততা বহিছে। আনকি মূৰ তুলি চাবলৈকো আহৰি নাথাকে এইসকল পৰিয়ালৰ। ৫০০ টা পৰিয়ালৰ প্ৰত্যেকেই এতিয়া দিপাৱলীৰ  বাবে হাজাৰ হাজাৰ মাটি চাকি বজাৰলৈ উলিয়াই দিছে। কিন্তু এই মৃৎশিল্পৰ  লগত জড়িত পৰিয়ালসমূহৰ জীৱন-জীৱিকাৰ প্ৰতি এতিয়া ভাবুকি আহি পৰিছে। শিল্পবিধৰ বাবে উপযোগী মাটিৰ অভাৱ হোৱাত পৰিয়ালসমূহৰ জীৱন দুৰ্বিসহ হৈ পৰিছে। ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াই প্ৰত্যেক বছৰতে ভূমি খহাই নিয়াৰ বাবে শিল্পবিধৰ উৎপাদন কৰিবলৈ উপযুক্ত মাটিৰ অভাৱ হৈ পৰিছে। যি কেইপদ মাটি উপলব্ধ হৈছে সেয়া বহু কষ্ট কৰি উঠাব লগা হৈছে। প্ৰয়োজনীয় কেঁচা মাটিৰ অভাৱৰ বাবেই শিল্পবিদ হেৰাই যোৱাৰ আশংকাত ভুগিছে বৃহৎ শালমৰাবাসী। এইক্ষেত্ৰত চৰকাৰে মৃৎশিল্পীসকলক সকাহ দিয়াৰ অৰ্থে বিশেষ গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উঠিছে। শিল্পবিদ জীয়াই ৰখাৰ ক্ষেত্ৰত ৫০০ টা পৰিয়ালৰ জীৱন জীৱিকা আগুৱাই নিয়াৰ ক্ষেত্ৰত চৰকাৰক কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে এই পৰিয়ালসমূহে।

# ৰাজহ চক্ৰ কাৰ্যালয় বন্ধৰ বিৰোধিতাৰে ভূৰাগাঁৱত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ যুৱ ছাত্ৰৰ

**ই-সংবাদ, লাহৰীঘাট, ২৮ অক্টোবৰঃ** ৰাজ্যখনৰ বহুকেইটা ৰাজহ চক্ৰ কাৰ্যালয়ৰ লগতে মৰিগাঁও জিলাৰ ভূৰাগাঁও ৰাজহ চক্ৰ কাৰ্যালয়টো বন্ধ হ'ব বুলি খবৰ ওলোৱাৰ পাছতেই ৰাজহ চক্ৰবাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। উল্লেখ্য যে শতাধিক ৰাজহ গাঁও থকা বৃহৎ ৰাজহ চক্ৰ কাৰ্যালয়টো বন্ধ নকৰি পূৰ্বৰ দৰে বাহাল ৰাখিবলৈ আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভূৰাগাঁও আঞ্চলি সমিতিয়ে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৰ ভূৰাগাঁও আঞ্চলিক সমিতিৰ সভাপতি ভাস্কৰ ডেকা আৰু সম্পাদক উৎপল নাথৰ লগতে বিষয়ববীয়াসকল ৰাজহ চক্ৰ কাৰ্যালয়ত উপস্থিত হৈ ৰাজহ চক্ৰ বিষয়াগৰাকীৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ তেওঁলোকৰ স্মাৰকপত্ৰখন প্ৰেৰণ কৰে। উল্লেখ্য যে পূৰ্বৰ দৰে ভূৰাগাঁও ৰাজহ কাৰ্যালয়টো বাহাল ৰাখিবলৈ এই স্মাৰকপত্ৰৰ জৰিয়তে সংগঠনটোৱে মুখ্যমন্ত্ৰী তথা অসম চৰকাৰক দাবী জনায়। অন্যথা অনাগত দিনত সংগঠনটোৱে গণতান্ত্ৰিকভাৱে বৃহৎ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও স্মাৰকপত্ৰযোগে সকীয়াই দিয়ে। ইফালে, একেদৰে জিলাখনৰ মিকিৰভেটা আৰু ভূৰাগাঁও ৰাজহ চক্ৰ কাৰ্যালয় দুটা পূৰ্বৰ দৰে বাহাল ৰখাৰ দাবী জনাই এজেৱাইচিপৰ মৰিগাঁও জিলা সমিতিৰ আহ্বান মৰ্মে লাহৰীঘাট আঞ্চলিক সমিতিয়েও আজি লাহৰীঘাট ৰাজহ চক্ৰ বিষয়াগৰাকীৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।



প্ৰয়াত সাংবাদিক-সমাজকৰ্মী ৰাজেন শৰ্মা তামুলীৰ সোঁৱৰণী গ্ৰন্থ 'স্মৰণ গাঁথা' উন্মোচনৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, তিতাবৰ

# বসন্ত নে মিলন? আটাছুৰ কেন্দ্ৰীয় সাধাৰণ সভাত দুই ফৈদৰ হতাহতি!

## আৰক্ষীৰ উপস্থিতিত পৰিস্থিতি নিয়ন্ত্ৰণ

**ই-সংবাদ, ডুমডুমা, ২৮ অক্টোবৰঃ** সদৌ অসম তাই আহোম ছাত্ৰ সন্থা চমুকৈ 'আটাছু'ৰ বসন্তপন্থী গোটৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত ইয়াৰ চাহ নগৰী ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিঙস্থিত 'উৰুলি' বিবাহ ভৱনত আজি দিনৰ ১১:৩০ বজাত আয়োজন কৰা হৈছিল এখনি কেন্দ্ৰীয় সাধাৰণ সভা। সভাৰ বিষয়ে অৱগত হৈ 'আটাছু'ৰ মিলন বুঢ়াগোহাঁইপন্থী গোটৰ তিনিচুকীয়া জিলা সমিতিৰ প্ৰায় ৪০-৫০ জন নেতা-কৰ্মী সভাস্থলীত উপস্থিত হোৱাত দুই ফৈদ তথা গোটৰ মাজত প্ৰথমে তুমুল তৰ্কযুদ্ধ আৰম্ভ হয় আৰু পিছলৈ ক্ৰমাৎ হতাহতি সদৃশ পৰিস্থিতিৰ উদ্ভৱ হয়। স্থানীয় ডুমডুমা আৰক্ষীয়ে ঘটনা সন্দৰ্ভত অৱগত হোৱাত সভাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে যদিও ঘটনাক লৈ বহু সময়লৈকে পৰিস্থিতি উত্তপ্ত হৈয়েই থাকে। উল্লেখ্য যে, আজিৰ কেন্দ্ৰীয় সাধাৰণ সভাত আটাছুৰ অন্যতম সভাপতি বসন্ত গগৈ অংশগ্ৰহণৰ উদ্দেশ্যেৰে সভাস্থলীত উপস্থিত হয় যদিও মিলন বুঢ়াগোহাঁইপন্থী গোটে সভা অনুষ্ঠিত কৰাত একপ্ৰকাৰ বাধাৰ প্ৰাচীৰৰূপে থিয় দিয়ে বসন্ত গগৈ পন্থী আটাছুৰ গোটৰ সন্মুখত। পিছলৈ অৱশ্যে বসন্ত গগৈয়ে সভাস্থলীত এখন সংবাদ মেল সম্বোধন কৰি ঘটনাৰ সন্দৰ্ভত সংগঠনৰ স্থিতি স্পষ্ট কৰে। এইখিনিতে উল্লেখ কৰাৰ প্ৰয়োজন যে যোৱা ১২ জুনত আটাছুৰ শদিয়া মহকুমা সমিতিৰ আতিথ্যত ঐতিহাসিক শদিয়াৰ চপাখোৱাস্থিত টাই-সংস্কৃতি চৰ্চা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত আটাছুৰ পুৰণা জিলা সমিতিখন ভংগ কৰি ২০২৪-২৬ বৰ্ষৰ বাবে ৩৪ জনীয়া নতুন তিনিচুকীয়া জিলা সমিতিখন গঠিত হৈছিল। সভাত আটাছুৰ মিলনপন্থী গোটৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সীমান্ত গগৈ, সাংগঠনিক সম্পাদকদ্বয় অভিজিত ফুকন আৰু সঞ্জীৱ দুৱৰা পৰ্য্যবেক্ষক হিচাপে উপস্থিত আছিল। মুখ্য অতিথি হিচাপে উপস্থিত আছিল আটাছুৰ অন্যতম কেন্দ্ৰীয় সভাপতি মিলন বুঢ়াগোঁহাই। আনহাতে, চলিত বৰ্ষৰ যোৱা ২৯ জুনত সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ অন্তৰ্গত ডুমডুমা আঞ্চলিক সমিতিয়ে ইয়াৰ আজাড ৰোডস্থিত ডুমডুমা শতদল শাখা সাহিত্য সভা ভৱনত এখন সংবাদ মেল আয়োজন কৰি ডুমডুমাত তাই আহোম ছাত্ৰ সন্থাৰ নামত নতুনকৈ সমিতি গঠনৰ চেষ্টা কৰা বুলি মন্তব্য কৰিছিল সংবাদ মেলযোগে। লগতে এইক্ষেত্ৰত সকলো পক্ষকে এই কাৰ্যৰ পৰা বিৰত থকাৰ আহবান জনোৱাৰ উপৰিও এইক্ষেত্ৰত কোনোবাই যদি নতুন আঞ্চলিক সমিতিখন "আটাছু বসন্ত গোট" বুলি খোলে তাত তেওঁলোকৰ আপত্তি নাথাকিব বুলিও স্পষ্ট কৰিছিল। প্ৰণিধানযোগ্য যে আটাছুৰ বসন্তপন্থী গোটৰ তিনিচুকীয়া জিলা সমিতিখনেও ভূমিষ্ঠ হোৱাৰ দিনৰে পৰা বিভিন্ন সময়ত জিলাখনত বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰি অহা পৰিলক্ষিত হৈছে যদিও মিলনপন্থী গোটে বসন্তপন্থী গোটক সদায়েই 'অবৈধ' বুলিয়েই দাবী কৰি আহিছে। এইক্ষেত্ৰত ৰাইজ বিভ্ৰান্তিত! কোনটো পন্থী অবৈধ? কোনটো পন্থী বৈধ? মুঠৰ ওপৰত বিগত প্ৰায় এটা বছৰে আটাছুত যে মিলনপন্থী আৰু বসন্তপন্থী গোটক লৈ ব্যাপক অৰিয়াঅৰি চলি আহিছে সেয়া স্পষ্ট যদিও কেতিয়াকৈ এই সমস্যাৰ ওৰ পৰিব, সেয়া লক্ষণীয় হ'ব। এইক্ষেত্ৰত সকলোৰে এটাই কথা ক'ব খোজে যে একতাই হৈছে পৰম বল।

# 'বি' ডিভিজনত অসম ৰেঞ্জাৰ এফচি চেম্পিয়ন



**ই-সংবাদ, যোৰহাট, ২৮ অক্টোবৰঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সৌজন্যত যোৰহাট ষ্টেডিয়ামত যোৱা ১ অক্টোবৰৰ পৰা অনুষ্ঠিত হোৱা বি ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেলত অসম ৰেঞ্জাৰ এফ চি দ'লে অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাবক ২-০ গ'লত পৰাভূত কৰি অসম ৰেঞ্জাৰ এফ চি চূড়ান্ত বিজয়ী সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। আজি খেলৰ প্ৰথমাৰ্ধৰ তিনি মিনিটত অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাবৰ ৰক্ষণ বিভাগৰ খেলুৱৈ শ্ৰীমন্ত গগৈ সামান্য ভুলৰ বাবে অসম ৰেঞ্জাৰ এফ চি অনমিত্ৰ বড়াই গ'ল দি ১-০ গ'লৰ অগ্ৰগতি লাভ কৰে। ইয়াৰ পিছত দ্বিতীয়াৰ্ধত দুয়োটা দ'লে আক্ৰমণাত্মকভাৱে খেলে যদিও ৭৯ মিনিটত পুনৰ অসম ৰেঞ্জাৰ এফ চি ৰিতু পল্লৱ চলিহাই গ'ল ২-০ গ'লত জয়ী হোৱাৰ লগতে চূড়ান্ত বিজয়ী সন্মান লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ফুটবল বিভাগৰ হেমিদুৰ ৰহমানে আঁতধৰা উদ্বোধনী অনুষ্ঠানত জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জুল খাউণ্ডে আদৰণি ভাষণ আগবঢ়ায়। জিলা ক্ৰীড়া সন্থাৰ জেষ্ঠ উপ সভাপতি ললিত চন্দ্ৰ বড়া, উপ সভাপতি দ্বিজেন শইকীয়া, ৰবীন শইকীয়া, চিৰঞ্জীৱ বড়া, ঋতুৰাজ বড়া, যুটীয়া সম্পাদক উৎপল বড়া, সদস্য বিমান বুঢ়াগোহাঁই, ক্ৰীড়া সংগঠক বিৰেন বড়া, প্ৰদীপ নেওঁগ, অৱনি চেতিয়া, অজিত বড়াৰ উপস্থিতিত প্ৰতিযোগিতাখনি উদ্বোধন কৰে ক্ৰীড়া সংগঠক বিপুল দুৱৰাই। ফুটবল বিভাগৰ সহঃসম্পাদক দিগন্ত দত্তই আঁতধৰা বঁটা বিতৰণী অনুষ্ঠানত চেম্পিয়ন দ'ল অসম ৰেঞ্জাৰ এফ চিয়ে বাপুৰাম কটকী সোঁৱৰণী বঁটা লাভ কৰে। বঁটা প্ৰদান কৰে ক্ৰীড়া সংগঠক বিপুল দুৱৰা আৰু জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জুল খাউণ্ডে। ৰানাৰ্চ আপ দল অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাবক বঁটা প্ৰদান কৰে প্ৰাক্তন ৰাজ্যিক ফুটবল খেলুৱৈ নবীন চন্দ্ৰ বড়া আৰু জেষ্ঠ উপ সভাপতি ললিত চন্দ্ৰ বড়াই। চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে অসম ৰেঞ্জাৰ এফ চিৰ মানস সোনোৱালে। বঁটা প্ৰদান কৰে ফুটবল বিভাগৰ চেয়াৰমেন দ্বিজেন শইকীয়াই। ফুটবল বিভাগৰ পৰা জানিবলৈ দিয়ে যে, চেম্পিয়ন দ'ল আৰু ৰানাৰ্চ আপ, দুয়োটা দলেই আগন্তুক ২০২৫ বৰ্ষত এ ডিভিজনত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব। আজিৰ খেলখন পৰিচালনা কৰে ৰেফাৰী ৰঞ্জিত দত্তই।

# ৰাষ্ট্ৰীয় যোগ ক্ৰীড়াত সাফল্য

**ই-সংবাদ, বেবেজীয়া, ২৮ অক্টোবৰঃ** হিমাচল প্ৰদেশৰ উনাত যোৱা ২৪ অক্টোবৰৰ পৰা ২৭ অক্টোবৰলৈ অনুষ্ঠিত হোৱা ৪৯ সংখ্যক ছাব জুনিয়ৰ আৰু জুনিয়ৰ ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত অসমৰ খেলুৱৈয়ে উল্লেখনীয় সফলতা লাভেৰে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই প্ৰতিযোগিতাৰ যোগাসনৰ ল'ৰাৰ ৮-১০ বছৰ বয়সৰ শাখাত বজালীৰ অৰ্ণৱ শৰ্মাই ব্ৰঞ্জৰ পদক, ছোৱালীৰ ১৪-১৬ বছৰ বয়সৰ শাখাত নগাঁৱৰ উদিতা ৰাণী বৰাই ব্ৰঞ্জৰ আৰু ৰিডমিক শাখাত নগাঁৱৰ সঞ্চিতা কুৰি আৰু ছয়ন্টিকা কুৰিয়ে ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ বিপৰীতে প্ৰিন্সি দেৱী, চয়ন্টিকা কুৰি, প্ৰগডিছ ছাহা, দৃশনা জে আৰ চান্দা, আৰিহান চক্ৰৱৰ্ত্তী, কুঁহি ডেকা, বিনীত চৌধুৰী, সন্দীপ শৰ্মা, ঋতু মণি ডেকা, তিতিক্ষা মধুকল্য, শিৰম জৰা ধাৰা, ৰিছিকা কৌৰ, সঞ্চিতা কুৰি, মহী খিট, ছৌবিক দাস, জয়া ৰাণী আদিয়ে বিভিন্ন শাখাত ৪ৰ্থ পৰা ৬ষ্ঠ স্থান লাভ কৰে। ইফালে, এই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনি পৰিচালনা কৰিব বাবে ৰেফাৰী হিচাপে অসমৰ পৰা বিচিত্ৰ বৰা, নিজৰা বৰা, জয়া ৰাণী, ৰজ লীন ব্ৰহ্ম, ভাৰ্গৱ কলিতা, আশীস নাগ, ড° তুলুমণি দেৱী, প্ৰাণজিৎ বৰা, বিনীতা বৰা আৰু ৰুমী হাজৰিকাই ভাগ লৈছিল। দলটোৰ এনে সফলতাত অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক তথা সদ্য নিৰ্বাচিত যোগ ফেডাৰেচন অফ ইণ্ডিয়াৰ উপ-সভাপতি প্ৰভাত চন্দ্ৰ বৰাৰ লগতে অসম যোগ সংস্থাৰ বিষয়-ববীয়াই শুভেচ্ছা জনাইছে।

# কিক বক্সিঙত ৰঙিয়াৰ বৈদ্যগড় ক্লাবৰ সফলতা



**ই-সংবাদ, ৰঙিয়া, ২৮ অক্টোবৰঃ** গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইণ্ডোৰ ষ্টেডিয়ামত সদৌ অসম ভিত্তিত ২৬ আৰু ২৭ অক্টোবৰত দুদিনীয়াকৈ অনুষ্ঠিত নৱম বাৰ্ষিক কিক বক্সিঙত ৰঙিয়াৰ বৈদ্যগড় ক্লাবৰ প্ৰশিক্ষাৰ্থীসকলে বিশেষ সফলতা অৰ্জন কৰে। প্ৰশিক্ষক বিপ্লাল আলীৰ তত্বাৱধানত দলটোৰ হৈ অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলৰ ভিতৰত ১০ গৰাকীয়ে স্বৰ্ণ, ৬ গৰাকীয়ে ৰূপ আৰু ৪ গৰাকীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে।



দ্বিতীয় বাৰ্ষিক 'ডিৰাক সমন্বয় কাপৰ উদ্বোধনী মেচখনৰ প্ৰাকমুহূৰ্তত দুই অংশগ্ৰহণকাৰী দল

## উদ্বোধনী খেলত টাইব্ৰেকাৰত জয়ী নৱজ্যোতি এফচি

# দ্বিতীয় বাৰ্ষিক 'ডিৰাক সমন্বয় কাপ-২০২৪' আৰম্ভ

**ই-সংবাদ, কাকপথাৰ, ২৮ অক্টোবৰঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী তিনিচুকীয়া জিলাৰ কাকপথাৰৰ ১ নং সৰুডিৰাক ৰাজহুৱা খেলপথাৰত সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদ, ডিৰাক আৰু কাকপথাৰ আঞ্চলিক সমিতিৰ উদ্যোগত ১ নং সৰু ডিৰাক যুৱ সংঘৰ সহযোগত মটক ৰাজবংশৰ শেষজন ৰাজ পেঞ্চনাৰ লংকেশ্বৰ গোহাঁই সোঁৱৰণী দ্বিতীয় বাৰ্ষিক "ডিৰাক সমন্বয় কাপ-২০২৪" ফুটবল প্ৰতিযোগিতাখনি আজিৰে পৰা আৰম্ভ হৈছে। আৰম্ভণি দিনৰ কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কৰে সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদ, ডিৰাক আৰু কাকপথাৰ আঞ্চলিক সমিতিৰ সভাপতি ক্ৰমে হিমগিৰি চেতীয়া, বিকাশ দহোতিয়াই। শ্বহীদ তৰ্পণ কৰে সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদ, ডিৰাক আৰু কাকপথাৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ক্ৰমে লক্ষ্যধৰ চেতিয়া আৰু অংকিত গগৈয়ে, ৰাজকুমাৰ লংকেশ্বৰ গোহাঁইৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদ, তিনিচুকীয়া জিলাৰ উপ সভাপতি উদিপ্ত বাঘ বড়াই। "ডিৰাক সমন্বয় কাপ-২০২৪" ফুটবল প্ৰতিযোগিতাখনিৰ আৰম্ভণি খেলখন নদিহিং এফ চি আৰু নৱজ্যোতি এফচিৰ মাজত অনুষ্ঠিত হয়। নিৰ্দিষ্ট সময়ত খেলখন অমীমাংসিত হৈ ৰোৱাত টাইব্ৰেকাৰ পদ্ধতিৰ সহায় লোৱা হয়। টাইব্ৰেকাৰত নৱজ্যোতি এফচিয়ে নদিহিং এফচিক ৪-২ গ'লত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। আৰম্ভণি খেলখনৰ উদ্বোধন কৰে স্থানীয় ক্ৰীড়া সংগঠক, সমাজসেৱক মিলেশ্বৰ দহোতিয়াই। উক্ত খেলখনত ৰেফাৰীৰ দায়িত্বত আছিল নুৰেল কাশ্যপ। সহায়ক হিচাপে আছিল শশান্ত মৰাণ আৰু মেলাকছ এক্কা, চতুৰ্থ পৰিচালক হিচাপে থাকে বিচেন চেতিয়া। মঙলবাৰে শদিয়া এফচিয়ে ২য় অসম আৰক্ষী বাহিনী, মাকুমৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

# দন্দুৱা স্পৰ্টচ ক্লাৱ চেম্পিয়ন

**ই-সংবাদ, মৰিগাঁও, ২৮ অক্টোবৰঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে আয়োজন কৰা ১৬ বছৰ অনুৰ্ধৰ ছোৱালীৰ ভলীবল লীগ প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ফাইনেল খেলখনত দন্দুৱা স্পৰ্টচ ক্লাৱে কপাহেৰা ভলীবল প্ৰশিক্ষণ কেন্দ্ৰক পৰাভূত কৰে। মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ ৫ টাকৈ শক্তিশালী ছোৱালী দলে অংশগ্ৰহণ কৰা আজিৰ প্ৰতিযোগিতাখন নিমন্ত্ৰিত অতিথি আৰু বিশিষ্ট ক্ৰীড়া সংগঠক সকলৰ উপস্থিতিত মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি ৰমেন নাথে শুভ উদ্বোধন কৰে। বিয়লিৰ ভাগত অনুষ্ঠিত ফাইনেল খেলখনত দন্দুৱাৰ খেলুৱৈসকলে শক্তিশালী আৰু সংঘবদ্ধ খেল প্ৰদৰ্শন কৰি ২-০ ব্যৱধানত কপাহেৰাক পৰাভূত কৰে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক সমুদ্ৰ নাৰায়ণ মেধিৰ তত্ত্বাৱধানত আয়োজিত বঁটা বিতৰণী সভাত অসম ফুটবল সন্থাৰ উপসভাপতি জিতু বৰদলৈ,



মৰিগাঁও পৌৰসভাৰ পৌৰপতি যোগেশ তামুলী, জ্যেষ্ঠ ক্ৰীড়া সংগঠক আব্দুল হেকিম, অসীম বৰদলৈ, ভলীবল সম্পাদক বিশ্বজিত বৰদলৈ, বেডমিন্টন সম্পাদক মুক্তাৰ হুছেইনৰ লগতে অনান্য শাখা সম্পাদক আৰু বিষয়ববীয়াসকলৰ উপস্থিতিত বিজয়ী আৰু বিজিত দলক ট্ৰফী, নগদ ধন প্ৰদান কৰা হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

সম্পাদকঃ বিজি গগৈ (অবৈতনিক)